# ARYAN

## YEAR: 1970-71

## EDITOR:SATYA PRASAD KALITA

70-71

# এৰিয়ান

সম্পাদনাত

শ্ৰী সত্যপ্ৰসাদ কলিতা



# এৰিয়ান

আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী

বছৰেকীয়া প্ৰকাশ

সম্পাদক

সত্য প্ৰসাদ কলিতা

এৰিয়ান
আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী
দ্বাদশ সংখ্যা
১৯৭০-৭১

সম্পাদক :
সত্য প্ৰসাদ কলিতা

তত্বাৱধায়ক :
অধ্যাপক উদয় দত্ত
অধ্যাপক শিৱনাথ বৰ্ম্মন

বেটুপাত :
বাণেশ্বৰ শৰ্ম্মা
২য় বাৰ্ষিক, বিজ্ঞান

মুদ্ৰন :
উইক্‌লী এক্সপ্ৰেছ প্ৰিন্টিং প্ৰেছ
কালিপুৰ, গুৱাহাটী – ৯
ফোন : ৭১০৮

# : এৰিয়ান :

## আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী

### —অসমীয়া বিভাগ—

প্ৰবন্ধ—


১। এটি সমীক্ষা—ৰত্নকান্ত বৰকাকতীৰ শেৱালিৰ....১ — খগেন্দ্ৰ কুমাৰ দাস
২। অসমৰ জন-জীৱনত ডাকৰ বচন .... ৭ — কুমুদ চন্দ্ৰ কলিতা
৩। জীৱ বৈজ্ঞানিকৰ দৃষ্টিত মানুহ ....১৪ — নৰেন কলিতা
৪। ট্ৰেজেডি : এটি সংজ্ঞা ....২৩ — মদন মোহন মহন্ত
৫। সাগৰ দেখিলোঁ ....২৬ — শৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
৬। আধুনিক অসমীয়া সাহিত্যত অশ্লীলতা ....৩৫ — সমীৰণ ডেকা
৭। কালিদাসৰ প্ৰকৃতি বৰ্ণনা ....৪০ — পৰমানন্দ ডেকা
৮। মোৰ পৰ্ব্বত আৰোহণৰ অভিজ্ঞতা ....৪৮(ক) — ফণীন্দ্ৰ নাথ গগৈ

কবিতাঃ—

১। বন্যা ... ৪৯ — ডালিম দাস
২। প্ৰতীক্ষা ....৫১ — প্ৰবীণ মহন্ত
৩। হে বিপ্লৱ, তুমি আহিবা ....৫২ — ললিত নাথ
৪। এটি নতুন যাত্ৰা ....৫৩ — ভূপেন্দ্ৰবল্লভ বৰ্মণ
৫। মোৰ ভাল লাগে ....৫৩ — যোগেন চন্দ্ৰ কলিতা
৬। মনৰ গতি ....৫৪ — চন্দ্ৰ দাস
৭। ব্যৰ্থ লোতক ....৫৫ — দুৰ্লভ হাজৰিকা

গল্পঃ—

১। মিছেচ কল্পনা-দৈমাৰী ....৫৭ — হৰেশ্বৰ বড়ো
২। মোৰ আত্মজীৱনী ....৬৬ — যোগেন দত্ত
৩। মন ডায়েৰী ....৭২ — সতীশ চন্দ্ৰ কলিতা
৪। নীৰৱ বেদনা ....৭৯ — ৰাজধৰ ডেকা
৫। পোক ....৮৩ — দিলীপ কুমাৰ দত্ত
৬। স্মৃতিৰ পৰশত ....৯১ — জয়ন্তকুমাৰ কাকতী
৭। দাড়ি ....৯৭ — শ্ৰীপ্ৰকাশ দাস
৮। পাৰ্শ্বজ্যোতি ....১০০ — বিশেষ সংবাদদাতা

সম্পাদকীয়— ....১০১

এৰিয়ান
আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী
দ্বাদশ সংখ্যা
১৯৭০-৭১

সম্পাদক :
সত্য প্ৰসাদ কলিতা

তত্ত্বাৱধায়ক :
অধ্যাপক উদয় দত্ত
অধ্যাপক শিৱনাথ বৰ্ম্মন

বেটুপাত :
বাণেশ্বৰ শৰ্ম্মা
২য় বাৰ্ষিক, বিজ্ঞান

মুদ্ৰন :
উইক্‌লী এক্সপ্ৰেছ প্ৰিন্টিং প্ৰেছ
কালিপুৰ, গুৱাহাটী — ৯
ফোন : ৭১০৮

# : এৰিয়ান :

## আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী

### —অসমীয়া বিভাগ—


প্ৰবন্ধ—

১। এটি সমীক্ষা—ৰত্নকান্ত বৰকাকতীৰ শেৱালিৰ....১ — খগেন্দ্ৰ কুমাৰ দাস
২। অসমৰ জন--জীৱনত ডাকৰ বচন .... ৭ — কুমুদ চন্দ্ৰ কলিতা
৩। জীৱ বৈজ্ঞানিকৰ দৃষ্টিত মানুহ ....১৪ — নৰেন কলিতা
৪। ট্ৰেজেডি : এটি সংজ্ঞা ....২৩ — মদন মোহন মহন্ত
৫। সাগৰ দেখিলোঁ ....২৬ — শৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
৬। আধুনিক অসমীয়া সাহিত্যত অশ্লীলতা ....৩৫ — সমীৰণ ডেকা
৭। কালিদাসৰ প্ৰকৃতি বৰ্ণনা ....৪০ — পৰমানন্দ ডেকা
৮। মোৰ পৰ্ব্বত আৰোহণৰ অভিজ্ঞতা ....৪৮(ক) — ফণীন্দ্ৰ নাথ গগৈ

কবিতা:—

১। বন্যা ... ৪৯ — ডালিম দাস
২। প্ৰতীক্ষা ....৫১ — প্ৰবীণ মহন্ত
৩। হে বিপ্লৱ, তুমি আহিবা ....৫২ — ললিত নাথ
৪। এটি নতুন যাত্ৰা ....৫৩ — ভূপেন্দ্ৰবল্লভ বৰ্মণ
৫। মোৰ ভাল লাগে ....৫৩ — যোগেন চন্দ্ৰ কলিতা
৬। মনৰ গতি ....৫৪ — চন্দ্ৰ দাস
৭। ব্যৰ্থ লোতক ....৫৫ — দুৰ্লভ হাজৰিকা

গল্প:—

১। মিছেচ কল্পনা-দৈমাৰী ....৫৭ — হৰেশ্বৰ বড়ো
২। মোৰ আত্মজীৱনী ....৬৬ — যোগেন দত্ত
৩। মন ডায়েৰী ....৭২ — সতীশ চন্দ্ৰ কলিতা
৪। নীৰৱ বেদনা ....৭৯ — ৰাজধৰ ডেকা
৫। পোক ....৮৩ — দিলীপ কুমাৰ দত্ত
৬। স্মৃতিৰ পৰশত ....৯১ — জয়ন্তকুমাৰ কাকতী
৭। দাড়ি ....৯৭ — শ্ৰীপ্ৰকাশ দাস
৮। পাৰ্শ্ব জ্যোতি ....১০০ — বিশেষ সংবাদদাতা

সম্পাদকীয়— ....১০১

এটি সমীক্ষা—

# ৰত্নকান্ত বৰকাকতীৰ-'শেৱালি'ৰ

—খগীন্দ্ৰ কুমাৰ দাস
২য় বাৰ্ষিক কলা



অসমীয়া ভাষা সাহিত্যত অতি কম ৰচনাৰে নিজকে সুপ্ৰতিস্থিত কৰি অমৰত্ব লাভ কৰা কবি সকলৰ ভিতৰত ৺বৰকাকতীদেৱ অন্যতম। 'শেৱালি', 'চন্দ্ৰহাৰ', 'তৰ্পন', আদি কবিতা পুথি, মহাত্মা গান্ধীৰ 'স্বৰাজ'ৰ অসমীয়া ভাঙনি, 'আলাপ' নামৰ পুথি, 'অলকা' নাটক, 'বেজবৰুৱাৰ ডালিমী', 'সাহিত্যৰ স্বৰূপ', 'উপনিষদৰ সৌন্দৰ্য্য' আদি প্ৰবন্ধৰ ৰচক ৺ৰত্নকান্ত বৰকা[illegible]দেৱ সাধাৰণতে 'শেৱালি কবি' বুলিয়ে জনাজাত। [illegible]চাকৈয়ে তেখেতৰ ; 'শেৱালি' অসমীয়া কাব্য-সাহিত্যৰ বেদিত এপাহি আপুৰুগীয়া অঞ্জলি। ভাষা আৰু ছন্দ বৈচিত্ৰ্যৰ সাৱলীল স্বচ্ছ গতিত শেৱালিৰ কবিতা অতুলনীয়।

শৰতকালৰ শেৱালি ফুলৰ দৰে তেওঁ 'শেৱালি' নামৰ প্ৰথম কবিতাতে শেৱালিৰ সৌৰভ বিলাই দিছে।

'এই জীৱনৰ
"শেৱালি বনৰ
মনৰ যতেক কামনা
চাওঁতে চাওঁতে
ফুলিল, সৰিল
কতনো ভাৱৰ ভাৱনা।" (শেৱালি)

.... .... .... ....

আকৌ, 'উদ্দেশি সেই
নিৰুদ্দেশ কোন
মায়াপী দেৱ ;
সৰি পৰা মোৰ
শেৱালিয়ে আজি
কৰিছে সেৱ।' (শেৱালি)

'শেৱালি'ৰ সহহখিনি কবিতাই প্ৰেমৰ কবিতা। এই প্ৰেম অতীন্দ্ৰিয় প্ৰেম নহয়, ই ডেকা-গাভৰুৰ অন্তৰত 'হুলাই-বোলাই অকজ বেথাৰ জাল' সৃষ্টি কৰা ঐহিক প্ৰেম। কবিয়ে তেওঁৰ প্ৰেমিকাক পূৰ্বৰাগ, মিলন, বিৰহৰ সকলো অৱস্থাতে দেখা পাইছে।

'শেৱালি'ৰ পাতনি লিখক শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মাই বৰকাকতীৰ কবিতাখিনিক পাচোঁটা ভাগত ভগাইছে— (১) প্ৰেম বা ভালপোৱাৰ কবিতা; (২) কবি আৰু কাব্য সম্বন্ধীয়; (৩) শোকৰ কবিতা (ইলিজি); (৪) পৌৰাণিক আৰু ঐতিহাসিক কবিতা; (৫) জীৱনৰ সমস্যা সম্বন্ধে তেওঁৰ চিন্তাৰ কাব্যময় প্ৰকাশ।

বৰকাকতীৰ প্ৰেম মানবীয় প্ৰেম; ই ঈশ্বৰ প্ৰেম, দাৰ্শনিক তত্ত্ব বা জটিল ধৰ্ম্ম তত্ত্বেৰে ঢাক খাই থকা অহৈতুকী প্ৰেম নহয়। 'শেৱালি'ৰ অন্তৰ্গত প্ৰেম বা ভালপোৱাক কেন্দ্ৰ কৰি লিখা কবিতাখিনিৰ মাজেৰে কবিয়ে দৈহিক মিলনৰ মাজেদি আত্মাৰ মিলন বিচাৰিছে।

'আত্মাই মিলিব খোজে মোৰ
তোমাৰ আত্মাৰে;
নোৱাৰে ধৰিব গল ঘনে
মায়াই আগুৰে।' (আত্মাৰ মিলন)

এই প্ৰেমৰ কবিতাবোৰত সহজ সৰল বিশ্বজনীন অনুভূতি এটিৰ ৰূপ বিভিন্ন অৱস্থাৰে প্ৰকাশিত হৈছে। সেয়ে তেওঁ কৈছে—

মনে যাক চিনে চকুৱে চিনায়
সেইহে হবলা
তোমাৰ চকুত
ইমান মউ ?
ৰতাহ হলেই মুফুলেতো ফুল
বসন্তৰ বা
লগিলে ফুলৰ
উঠে যি ঢউ।' (সি দুটি চকু)

কিন্তু 'সুন্দৰ', 'প্ৰশ্ন', 'উত্তৰ'— আদি কবিতাত কবিৰ বৈষয়িক প্ৰেমে ইন্দ্ৰিয়াতীত প্ৰেমত পৰিণত হোৱা যেন লাগে।

যেনে— মোৰেই হিয়াত তুলি যি কঁপনি
আতৰিলা তুমি, তোমাৰ নউ
মোৰ কঁপনিয়ে তোমাৰো হিয়াত
পাৰিবনে বাৰু সুতুলি ঢউ ?
পাৰিলে পাৰক, নাই নোৱাৰিলে
মনোমন্দিৰত পূজিম শিৱ;
অ' মোৰ গৰ্ব্ব, অ' মোৰ সাধনা
অ' মোৰ স্বৰ্গ, অ' মোৰ প্ৰিয়'। (সুন্দৰ)

কবিয়ে তেওঁৰ প্ৰিয়াৰ ৰূপৰ চমকে চমকাই যোৱা চকুজুৰি দেখাৰ আগতে প্ৰকৃতিয়ে তেওঁলৈ আনিছিল— অনাবিল আনন্দ। মুকলি আকাশৰ জোন, বেলি, তৰাই তেওঁৰ বুকু জুৰাই আছিল। ৰতাহে তেওঁকেই কোলাত লৈ চুমা যাচিছিল— মৰমতে। কবিকে চাই যেন হিয়া বিয়াকুল হৈ প্ৰভাতৰ ফুলে হাঁহিছিল, নিশাৰ আকাশত তৰাই কান্দিছিল। গোটেই বিশ্ব প্ৰকৃতি যেন তেওঁৰ

অতি আপোন হৈ পৰিছিল—

"যেই পিনে চাওঁ
সেই পিনে দেখোঁ
মোৰেই সকলো
মোৰেই মাথোঁ;
মোৰেই বসুন্ধৰা।" (বিশ্বহৰণ)

কিন্তু যিদিনাই চকুচাঁট মাৰি কবিৰ সন্মুখত প্ৰিয়াই আহি দেখা দিলে, সেইদিনাই তেওঁৰ হিয়াখন যেন কাঢ়ি লৈ গ'ল।

"যিদিনা হন্তে
চকু চাঁট মাৰি
তুমি উজলিলাঁ
মোৰ,
সেই দিন ধৰি
যেন নিলাঁ হৰি
তিল তিল কই
সকলো মোৰ।' (বিশ্বহৰণ)

ক্ষন্তেক চকু চোৰা-চুই কৰোতেই দুটি প্ৰাণ এটি হ'ল।

"খন্তেক মাথোন হায় চকু চোৰা-চুই,
প্ৰাণ-মন হই যোৱা এক, গুচি দুই।" (ক্ষন্তেক)

লগে লগে কবিৰ জীৱনলৈ এক বিৰাট পৰিবৰ্ত্তন। তেতিয়াৰ পৰা পুলক ভৰা চৰাইৰ গান অ.ৰু ভাল নলগা হ'ল। প্ৰিয়াৰ চকুত হৃদয়-হৰা জেউতি দেখি আলোকসৰা তৰা'ৰ মুখতো পোহৰ নেদেখা হ'ল। আনকি বিশ্বজগত নতুন কৰা বসন্তকালৰ, প্ৰকৃতিৰ ৰূপ নেদেখা হ'ল—

"নেদেখো একোকে জগত সংসাৰ
দিন নে ৰাতি,
জোন, বেলি, তৰা নাই বসুন্ধৰা
নুমাই জ্যোতি।" (তেতিয়া)

বিশ্বৰ সকলো সৌন্দৰ্য্য স্তুপীকৃত হৈ যেন তিলোত্তমা ৰূপী প্ৰিয়াৰ ৰূপত উজলি উঠিল। শ্যেলীৰ Love's Philosophy ৰ প্ৰেমৰ আদৰ্শকে কৰিয়েও প্ৰিয়াৰ লগত মিলনৰ আশা কৰি যুক্তি দৰ্শাইছে—

"নিজৰা মিলিছে
নইৰ লগত
মিলিছে নই
নই সাগৰত
.... .... .... .... ....
.... .... .... ....
নিগিলি নিমিলি
তোমাৰ সৈতে
অকলই লই
থাকিম নে প্ৰাণ?" (Love's
Philosophy— প্ৰেমতত্ত্ব)

তেনেকৈ কবিয়ে 'মিলন' কবিতাত নিজেই প্ৰকাশ কৰিছে—

"মিলনৰ গৰ্ব্ব লই
মিলন মিলন কই
মিলি যাম মিলনেৰে
মহান বিশ্বত। (মিলন)

চাওঁতে চাওঁতে কবিৰ প্ৰেয়সী অন্তৰ্দ্ধান হ'ল। কিন্তু তেওঁৰ প্ৰেয়সীৰ সৌন্দৰ্য্য জগতৰ বিভিন্ন বস্তুৰ ৰূপত দেখিবলৈ ধৰিলে। শেষত বৈবাহিক জীৱনত প্ৰবেশ কৰা কবিয়ে তেওঁৰ মানসীয়ে মানবীৰূপ ধৰি ধৰা দিয়া যেন অনুভৱ কৰিছে আৰু তেৱেই হৈ পৰিল—"ঘৰ-জেউতি" (Angel in the House). তেওঁৰ অনন্তৰ সৰ্ব্বব্যাপিনী বলাই ঘৰতে ধৰা দিল—

"সেই বিশ্ববিলীনা স্বৰ্গললনা
দিঠকতে আজি মধুৰ স্বপ্ন সখী,
তনু ধৰি ধৰা দিলাঁ নেকি মোক
মানুহৰ বেশে অতনু পৰাণ পখী।" (ধৰাপৰা)

এই দৰে প্ৰণয়ৰ বিভিন্ন ভাৱ প্ৰকাশক কবিতা-খিনিত কবিৰ কাব্যিক প্ৰতিভাৰ নিদৰ্শন ফুটি উঠিছে।

বৰকাকতীয়ে গভীৰ ভাবে অধ্যয়ন কৰিছিল। ফলত তেওঁ বিশ্বকবি ৰবীন্দ্ৰনাথৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱান্বিত হৈছিল। ভাৰতীয় চিন্তাধাৰা, ঐতিহ্য আৰু ৰবীন্দ্ৰনাথৰ প্ৰভাৱে তেওঁক শিকালে সুন্দৰৰ আৰাধনা আৰু তেওঁ পালে ৰূপসৃষ্টিৰ দুৰ্ব্বাৰ আকাংখা।

ভাৱ, ভাষা আৰু ছন্দ সকলো বিষয়তে ৰবীন্দ্ৰনাথৰ প্ৰভাৱ বৰকাকতিৰ কবিতাৰ ওপৰত পৰিছে যদিও ই তেওঁৰ স্বকীয় প্ৰতিভা মোলান কৰিব পৰা নাই।'শেৱালি'ৰ অন্তৰ্গত বহুত কবিতাই ৰবীন্দ্ৰনাথৰ ৰচনাৰ দ্বাৰা প্ৰভাৱান্বিত। ৰবীন্দ্ৰনাথৰ 'কাব্যে উপেক্ষিতা' প্ৰবন্ধৰ ভাৱ আৰু ভাষা বৰকাকতিৰ 'উৰ্ম্মিলা' কবিতাত দেখা যায়। সেইদৰে 'দুটি মানুহ' কবিতাটো সেই মহান কবিজনাৰ 'দুই পাখি'ৰ আদৰ্শত ৰচিত। ৰবিঠাকুৰৰ 'প্ৰকাশ' ককিতাৰ ভাৱ বৰকাকতিৰ 'কবিৰ স্থান' কবিতাটোত পোৱা যায়। সেইদৰে 'ধৰাপৰা' কবিতাটোত বিশ্বকবিৰ 'উৰ্ব্বশী' কৱিতাৰ ভাষা পোৱা যায়।—

"স্তনহাৰ যাৰ
ছিগি পৰিছিল
নাচোতে নভত
উৰা মুকুতাৰ খনি" (ধৰা পৰা)

আৰু "তব স্তনহাৰ হতে নভস্থলে
খসি পৰে তাৰা।" (উৰ্ব্বশী)

'উদাস', 'উন্মনা', 'পচুলিমূৰত,' 'তাজমহল' আদি কবিতাত আংশিক ভাবে হলেওঁ কবিগুৰুৰ প্ৰভাৱ অনুভৱ কৰা যায়। অৱশ্যে ৰবীন্দ্ৰনাথৰ গভীৰ দৰ্শনে বৰকাকতিৰ কবিতাত ঠাই পোৱা নাই। উদাহৰণ স্বৰূপে তেওঁৰ 'তাজমহল' কবিতাটোলৈ আঙুলিয়াব পাৰি। 'তাজমহল' কবিতাটো বিশ্বকবিৰ 'শাহজাহান' কবিতাৰ আদৰ্শত ৰচনা কৰা যেন লাগিলেও দুয়োটা কবিতাৰ বিশেষ পাৰ্থক্য আছে। ঠাকুৰৰ 'শাহজাহান'ত আছে গভীৰ দৰ্শন, ভাৱৰ সুদূৰ প্ৰসাৰতা। আনহাতে বৰকাকতিৰ কবিতাত আছে— মানবীয় স্পৰ্শ, সাধাৰণ বিস্ময় ভাৱ। ৰবিঠাকুৰৰ তাজমহল শ্বেত, বৰকাকতিৰ তাজমহল তেজৰঙা। তেজ ৰঙা জীৱনৰ সজীৱ আকুলতাৰ তেখেতৰ কবিতাত প্ৰকাশ পাইছে! এইবিলাকৰ বাহিৰেও কবি গুৰুৰ ৰচনাত ব্যৱহাৰ হোৱা কিন্তু আন অসমীয়া কবিয়ে ব্যৱহাৰ নকৰা বহুতো শব্দ তেখেতে ব্যৱহাৰ কৰিছে— যেনে— মৌনসন্ধ্যা, তন্দ্ৰা বিহীন বুকুৰ আচল, অতনু পৰাণ, নিস্তব্ধ মৰণ, অমৰ মৰণ, ঘনঘোৰ বাৰিষা ইত্যাদি। কিন্তু বৰকাকতিৰ প্ৰকাশৰ পদ্ধতি সম্পূৰ্ণ মৌলিক।

অসমীয়া কবিতাত ছন্দ বিলাক নানা ধৰণে সজাই, পৰ্ব্ব আৰু চৰণ বিলাক নানা ভাৱে সন্নিবেশ কৰি কবিতাৰ ছন্দ-বৈচিত্ৰ্য অসমীয়া সাহিত্যলৈ পোন প্ৰথমে বৰকাকতিয়েই আনে। বেজবৰুৱা, আগৰৱালা আদিৰ হাতত ছন্দই যেনে গঢ় ললে, দুৱৰাইও তাৰ কোনো পৰিবৰ্ত্তন নকৰিলে। কিন্তু ছন্দ বৈচিত্ৰ্যৰ সৃষ্টিত বৰকাকতিৰ দান অতুলনীয়। যদিও তেওঁ কবিগুৰুৰ দ্বাৰা এই ক্ষেত্ৰত প্ৰভাবান্বিত হৈছে,

তথাপি তেখেতে অসমীয়া ছন্দৰ একঘেয়ামি গুচাই ইয়াৰ বৈচিত্র্য সাধন কৰে। আগৰ কবি বেজবৰুৱা-দেৱে লিখিছিলে—

"প্রকৃতিৰ কামনাৰ সৌন্দর্য্য ৰঞ্জিত
কবিতা কল্পনাময়ী কবিৰ বাঞ্ছিত।"
(বেজবৰুৱাৰ কবিতা)

ওপৰৰ পদটোৰ দুটা চৰণ আৰু চাৰিটা পর্ব্ব আছে যদিও আবৃত্তি কৰোতে নিজে নিজে বাচি উলিয়াব লাগে। কিন্তু বৰকাকতিয়ে নিজে ভাগ কৰি একে দৈধ্য আখৰীয়া পদকেই চৰণৰ পর্ববিলাক ভাঙি স্বতন্ত্র ভাবে সজাইছে আৰু আগৰ ছন্দবিলাক ভাঙি চিঙি দীঘল চুটি কৰি নতুনত্ব আনে।

যেনে— "বৃন্তচ্যুত ফুল তুমি
ত্যাগৰ উৰ্ম্মিলা,
অসহ্য বেদনা হায়
নীৰবে ভূগিলা"। (উৰ্ম্মিলা)

বৰকাকতিয়ে ঠাই বিশেষে পুৰণি ছন্দক নতুনকৈ সজাইছে আৰু এটা ছন্দৰ লগত আন এটা ছন্দৰ সংমিশ্রণ কৰি দেখাত নতুন যেন কৰি দেখুৱাইছে। ইয়াৰ উপৰি অমিত্রাক্ষৰ ছন্দৰ কবিতাত প্রত্যেক শাৰীৰ ভাৱ পিচৰ শাৰীলৈকে গৈ থকাৰ দৰে বৰকাকতিৰ কবিতাটো তেওঁৰ ছন্দ অমিত্রাক্ষৰ নহয় যদিও ভাৱ পিচলৈ আগবাঢ়ি থাকে। উদাহৰণ স্বৰূপে 'তেও' কবিতাটো লব পাৰি।

যেনে— "আৰু বাৰু হওঁ যদি
ভেট ফুল এটি,
তুমি যদি চন্দ্রমাৰ
হই মৃদু সুধাধাৰ
আবেগ অন্তৰে মোক
ধৰাহি সাবটি,
অতৃপ্ত প্রেমৰ তেও
হব নে তৃপিতি?" (তেও)

তেখেতৰ কবিতাত গতানুগতিক ভাৱে মিল নাই। কিন্তু তেওঁৰ নিজা পদ্ধতিত শেষ অক্ষৰত মিল দেখা যায়—

যেনে—
"আলোকসৰা
তৰাৰ মুখত
পোহৰ মই
নাপাওঁ তেনে,
অশ্রু-ক্ষৰা
তোমাৰ চকুত
হৃদয় হৰা
জেউতি যেনে।" (তোমাৰ পৰশ)

'শেৱালি'ত কবি আৰু কাব্য সম্বন্ধীয় কবিতা কিছুমান আছে। কবিয়ে যেন বিশ্ব বিয়পি থকা বিশাল সৌন্দর্য্য অকলে পান কৰিব নোৱাৰা হৈছে। অকবিসকলৰ প্রতি কবিৰ পুতৌ জন্মে। সেয়েহে সৰহ ভাষাৰে কবিতা লিখি কবিয়ে এই অমৃত ভাণ্ডাৰৰ সন্দেশ আনকো দিব খোজে। পোৱা-নোপোৱাৰ খতিয়ানত ব্যস্ত জগতত কবিৰ স্থান হেনো নিৰূপণ কৰিব পৰা নাযায়। কবিয়ে অন্তৰ্জগতৰ ৰহস্যদ্বাৰ মুকলি কৰিব পাৰে। কবিৰ ধৰ্ম্ম হেনো জাগতিক ধৰ্ম্ম নহয়। আন মানুহৰ পূজাৰ লগত কবিৰ পূজাৰ বিৰাট পাৰ্থক্য।

"মই পূজোঁ কাৰোবাক ক'বকে নোৱাৰোঁ
এই দেখোঁ এই নাই ভূলোকে দ্যুলোকে
নিতে নৰৰূপ তাৰ,
নিতে অগোচৰ,
বিচাৰি তাকেই বয় চকুলো পলকে

লক্ষ ধাৰে লক্ষ স্মৃতি
অলক্ষ্য সাগৰ।" (মোৰ পূজা)

এই দৰে 'কবিৰ স্থান', 'কবিৰ চিন্তা', 'প্ৰকাশ বাধা,' 'মুক্তি,' আদি কবিতাত কবিৰ স্থাননো ক'ত, ব্যৱহাৰিক জগতৰ লগত সম্বন্ধই বা কি, কবিৰ চিন্তা কিহৰ, কবিৰ ধৰ্ম্মই বা কি ইত্যাদি কথা দেখেতে আলোচনা কৰিছে।

প্ৰাচীন কাব্য আৰু ইতিহাসৰ কাহিনীৰ আলমত লিখা 'উৰ্ম্মিলা', 'শকুন্তলাৰ বিদায়', 'তাজমহল' আদি কবিতাত কবিয়ে বিশেষ নৈপুণ্য দেখুৱাইছে। ইয়াৰ বাহিৰেও সৃষ্টিৰ সমস্যালৈও কবিৰ কবিতাই হাত মেলিছে। 'এটি ঘৰ', 'দুটি মানুহ', 'সাধনাৰ স্বৰ্গ', 'কিজানি নহয় ভুল' আদি বেদান্ত দৰ্শন সম্বন্ধীয় কবিতাত কবিয়ে জীৱনৰ বিবিধ সমস্যাৰ কাব্যিক ব্যাখ্যা দাঙি ধৰিছে।

কবিয়ে তেওঁৰ সাহিত্যিক জীৱনৰ প্ৰধান অনুপ্ৰেৰক ৺চন্দ্ৰনাথ শৰ্ম্মাক সুঁৱৰি "স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মা" নামৰ যি কবিতাটো ৰচনা কৰিছে, সি এটি উৎকৃষ্ট 'শোকৰ কবিতা'। ইয়াত কবিয়ে ব্যক্তিগত শোকৰ জৰিয়তে সৰ্ব্বমানৱৰ শোকৰূপে প্ৰকাশ কৰিছে। 'কবীন্দ্ৰ ৰবীন্দ্ৰনাথ' আৰু 'মহামানৱ মহাত্মা গান্ধী'কো তেওঁ কবিতাৰে সশ্ৰদ্ধ নিবেদন জনাইছে।

ডঃ মহেশ্বৰ নেওগৰ ভাষাত — "বৰকাকতিৰ কবিতাৰ প্ৰধান আকৰ্ষণ তাৰ ওজঃপূৰ্ণ ভাষা আৰু শ্বাসাঘাত প্ৰধান ছন্দত : ই অসমীয়া কবিতাত প্ৰায় অভিনৱ এক সুৰ."



# অসমৰ জন-জীৱনত

# ডাকৰ বচন

শ্ৰীকুমুদ চন্দ্ৰ কলিতা.

ডাকৰ জন্মৰহস্য কুঁৱলীৰে ঢকা এটি প্ৰহেলিকাৰ দৰে। "লেহিডঙৰাত ডাকৰ গাওঁ, তিনিশ ষাঠিটা পুখুৰীৰ নাওঁ," মাথোঁ এইষাৰ কথাৰ পৰাই ডাকৰ জন্মস্থান অনুমান কৰিব পাৰি। বৰ্ত্তমান বৰপেটাৰ দক্ষিণে সাতমাইল দূৰত থকা লেহি ডঙৰা গাওঁত ডাকৰ জন্ম হয়। আজি কালি সেই গাৱঁক লেহি বা ডঙৰা গাওঁ বুলি কয়। এই বিষয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামী, দেবেন্দ্ৰ নাথ বেজবৰুৱা আদিয়ে আলোচনা কৰিছে।

অসমীয়াৰ মতে ডাক কুমাৰৰ ল'ৰা। জনপ্ৰবাদ আৰু ডাকৰ ভণিতাৰ পৰা বুজা যায় যে ডাকৰ পিতাকৰ ককাই ভাই আছিল সাতজন। বিক্ৰমাদিত্য ৰজাৰ ৰাজসভাৰ নৱৰত্ন কবি সকলৰ ভিতৰত মিহিৰ মুনিও এজন আছিল। সেই মিহিৰ মুনিয়ে দেশ ভ্ৰমণ কৰিবলৈ আহিছিল আৰু সাত ভাই ককাইৰ ঘৰত অতিথিৰূপে আছিল।

"এদিন আসিয়া মিহিৰ মুনি
অতিথি ৰূপে ৰৈলা আপুনি ॥"

সেই সাত ভাই ককাইৰ সৰুজনৰ কোনো সন্তি-সন্ততি নাছিল। তেতিয়া ডাকৰ বুঢ়ীমাকে ডাকৰ মাকক আলপৈচান ধৰিবলৈ কলে।

"শাশুৰী কলে সৰুভনী আই।

তোৰ লগত্ একো ছা চলি নাই ॥
ঘৰৰ কামক পাছে কৰা।
অতিথি বাপাক আগকৰা ॥
বেতাৰ কপালে নাহিকে পো।
অতিথি পূজি ছলি কোলে লো ॥"

বুঢ়ীৰ কথা শুনি বোৱাৰীয়েকে মুনিৰ আলপৈচান ধৰিলে। তাইৰ আলপৈচানত সন্তোষ পাই মিহিৰ মুনিয়ে এটি বৰদিলে—

"তুষ্ট হৈয়া মিহিৰে দিল বৰ।
পুত্ৰএক হব মোৰ সমসৰ ॥"

যথা সময়ত ডাকৰ জন্ম হল। ভুমিষ্ঠ হৈয়ে তেওঁ ডাক দিলে আৰু কেনেকৈ জুই ধৰিব লাগে তাকো কলে। জন্মলৈয়ে তেওঁ মাককো মাত দিলে। সদ্যজাতৰ মুখত কথা শুনি মাকে চিঞৰ বাখৰ কৰাত ওচৰ চুবুৰীয়া দুই চাৰিজনী তিৰোতা প্ৰসূতি ঘৰলৈ আহিল। ডাকে সেই তিৰোতা কেইজনীকো জুই ধৰাৰ উপদেশ দিলে আৰু লগে লগে জুই জলি উঠিল। আকৌ কেনেকৈ নাড়ী কাটিব লাগে, তাকো ডাকে জন্ম লভিয়ে মাক আৰু তিৰোতা কেইজনীক কৈ দিলে আৰু প্ৰসূতিৰ কাষত কি কি কাৰ্য্য কৰিব লাগে তাকো কলে।

"পিৰিক পাৰাক কৰে আগুন।
নালাগে দেখিয়া উঠয় খং ॥
হেন দেখি পাছে মাতিলেক ডাক।
পোৱাতী ৰাখিয়া চা পুতাক ॥
জয়ধ্বনি কৰি নাড়ী কাটিৰ।
দৃঢ় বুদ্ধি কৰি নাড়ী বান্ধিব ॥"

ডাক ওপজাৰ দিনা ডাকৰ পিতাক ঘৰত নাছিল। পিছদিনাখন ডাকৰ পিতাক ঘৰলৈ আহে আৰু সদ্যজাতৰ মুখত আচহুৱা কথাবোৰ শুনি ডাকক খেৰণীত থৈ আহেগৈ। তিনিদিনৰ মূৰত আকৌ যেতিয়া বুঢ়ীৰ পুতেকহঁত খেৰণীলৈ যায়, তেতিয়া ডাকৰ কথা মতে তেওঁলোকে ডাকক পুনৰ ঘৰলৈ লৈ আহে। ডাক ডাঙৰ দীঘল হয় আৰু লাহে লাহে তেওঁৰ বিদ্যা বুদ্ধিও বাঢ়ি আহে। ডাকৰ যশৰ কথা মিহিৰ মুনিৰ কানত নপৰাকৈ নেথাকিল। ডাকক চাবলৈ মুনি পুনৰ্ব্বাৰ কামৰূপলৈ আহে। মিহিৰে ডাকক তৰ্কত পৰাস্ত কৰিব নোৱাৰি মাকৰ লগতে ডাকক এৰিথৈ তেওঁ পুনৰ নিজ দেশলৈ উভতি যায়গৈ। এই দৰে কিছুদিন যোৱাৰ পিচত এদিনাখন লগৰীয়াৰ সৈতে ভেঁট ফুল আনিবলৈ যাওঁতে লৰাবোৰে ডাকক পানীত পেলাই দিয়ে আৰু তাতে ডাকৰ দেহাৱসান ঘটে। এয়ে ডাকৰ জীৱনৰ চমু বুৰঞ্জী। এই অলপীয়া সময়ৰ ভিতৰতে ডাকে এক অক্ষয় সম্পত্তি জন-সমাজলৈ এৰি থৈ যায়। সেয়া হ'ল ডাকৰ বচন সমূহ।

অসমীয়া ঘৰুৱা জীৱনত ডাকৰ বচনৰ প্ৰভাৱ অতি স্পষ্ট। ডাকৰ নামত পূৱ ভাৰতৰ প্ৰায় ভাষাতে কম বেছি পৰিমাণে ডাক ভণিতা পোৱা যায়। এই পূৱ ভাৰতৰ প্ৰতিখন ৰাজ্যই (অসম, বঙ্গ, উত্তৰপ্ৰদেশ আৰু মিথিলা) ডাকক তেওঁলোকৰ বুলি দাবী কৰে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে"ডাকাৰ্ণৱ" নামৰ আনুমানিক দশম শতিকাৰ এখন পুথি উদ্ধাৰ কৰে।

ডাকৰ বিষয়ে এনে কিছুমান লোক—-বিশ্বাস আছে যিবিলাকৰ ৰহস্য আজিও উদ্ঘাটন হোৱা নাই। অসম, বঙ্গ আৰু মিথিলা আদি ঠাইত ডাকৰ বিষয়ে বিভিন্ন মত পোষণ কৰা দেখা যায়।

অসমীয়া মানুহৰ মাজত চলিত প্ৰবাদ মতে ডাক কুমাৰৰ ল'ৰা, বঙালী আৰু মিথিলাৰ পুথিৰ মতে ডাক গোৱালৰ ল'ৰা। বঙ্গৰ দীনেশ সেনে ডাকক বঙ্গৰ চক্রেটিচ বুলি অভিহিত কৰিছে। আনহাতে ডাক পুৰুষৰ কুঁৱলীৰে ঢাক খাই থকা ৰহস্যময় জীৱন কাহিনী ভেদ কৰিব নোৱাৰি ডঃ জয়কান্ত মিশ্রই ডাকক উত্তৰ পূৱ ভাৰতৰ বুলি কৈছে। আকৌ অসমীয়া পাণ্ডিত সকলে ডাকক অসমৰ বুলি দাবী কৰে। এই সম্পৰ্কত তেওঁলোকে নানান যুক্তি প্ৰদৰ্শন কৰিছে। আনকি অসমীয়া ৰচনা- শৈলীৰ ফালৰ পৰা ডাকক চতুৰ্থ ষষ্ঠ শতিকাৰ বুলি অনুমান কৰিব পাৰি। এই ডাকৰ বচনবোৰ শঙ্কৰদেৱতকৈ বহু আগৰ বুলি অসমীয়া সাহিত্যৰ টোকাত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এইদৰে কয়— "The date of Dak's writing has not yet been fixed but the peculiarity of his language leaves little doubt that it belonged to a time much prior to that of Sankardeva, the father of Assamese language." পণ্ডিত গোস্বামী দেৱে ডাকৰ বচনবোৰ ৮ম শতিকাত লিপিবদ্ধ হোৱা বুলি কৈছে। আনহাতে দেবেন্দ্ৰনাথ বেজবৰুৱাই ডাকক ৬ষ্ঠ শতিকাৰ বুলি কৈছে; তেখেতে কয় যে ডাক মিহিৰ মুনিৰ নিজা পুতেক। কিন্তু কালিৰাম মেধিৰ ভাষাত—"ডাক চতুৰ্দশ শতিকাৰ শেষ ভাগত বা পঞ্চদশ শতিকাৰ আগ ভাগত জন্ম হৈছিল।" ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ডাকৰ বচন সমূহ ৬ষ্ঠ শতিকাত হোৱাৰ সম্ভাৱনাই অধিক। আনহাতে শ্ৰীযুত দেবানন্দ ভৰালীৰ মতে "ডাকৰ বচন সমূহ ৬ষ্ঠ শতিকাৰ নহয়; কিয়নো প্ৰাকৃত যুগৰ ভাষাবোৰ এনেকুৱা হব নোৱাৰে।" তেখেতে লগতে ইয়াকো কয়—"এইটো অৱশ্যে সঁচা যে আমাৰ হাতলৈ যিবোৰ বচন আহিছে, সেইবোৰ পূৰ্ব্বৰ গঢ়ৰ পৰা বহুত পৃথক হৈছে। কিন্তু সেই বুলি সিহঁতক ১০০০ খৃঃৰ আগলৈকে ঠেলিব নোৱাৰি। কাৰণ তেতিয়া হলে শব্দ বিলাকৰ গঢ় আৰু বচনবোৰৰ ব্যাকৰণ বেলেগ হলহেঁতেন।" ডাকৰ বচনবোৰত পাৰ্চী আৰু আৰবী শব্দৰ ব্যৱহাৰ হোৱা দেখা যায়। সেইফালৰ পৰা ডাকৰ ৰচনা সম্বন্ধে অসমীয়া সমালোচক সকলে সন্দেহৰ চকুৰে চায়। কাৰণ ৬ষ্ঠ শতিকাত অসমীয়া ভাষাত আৰবী আৰু পাৰ্চী ভাষাৰ শব্দবোৰ প্ৰৱেশ কৰা নাছিল। সেই শব্দবোৰ অসমীয়া ভাষাত সোমায় ইয়াৰ বহু পিচতহে।

ডাকৰ জন্ম সম্বন্ধে বিভিন্ন জনৰ বিভিন্ন মতানৈক্য থাকিলেও ডাকৰ বচন সমূহ অসমীয়া জাতীয় জীৱনৰ হাড়ে হিমজুৰে খাপ খোৱা। ইয়াক অসমীয়া মানুহে অতীজৰে পৰা গীতা-ভাগৱত আদিৰ বাণাৰ দৰে আখৰে আখৰে পালন কৰে। বিবাহ সভা সমিতিয়ে ডাকৰ বচন এষাৰ থাকিবই। এই ডাকৰ বচনবোৰত সঞ্চিত জ্ঞানৰ পৰিচয় পোৱা যায়। গাৰ্হস্থ্য জীৱনকে আৰম্ভ কৰি ৰাজনীতিলৈকে সকলো লাগতিয়াল কথাৰ সাৰমৰ্ম্ম এই বচন সমূহৰ ফাকিয়ে ফাকিয়ে বিদ্যমান।

ডাকৰ বচনবোৰত নানা তৰহৰ বিষয় অন্তৰ্ভূক্ত হৈছে। শ্ৰেণী বা ব্যৱহাৰ অনুসৰি তেৰ চৈধ্যটা ভাগত এই বিষয়বোৰ ভাগ কৰিব পাৰি। এই বিষয় সমূহৰ আধাৰত ইয়াৰ প্ৰতিটো ভাগৰে এটি থুল-মুল আভাষ দাঙি ধৰা হল। প্ৰথমতে

চোৱা যাওঁক কৃষি জীৱনৰ ওপৰত ডাকৰ প্ৰভাৱ কি ? অসম অতীজৰে পৰা এখন কৃষি প্ৰধান দেশ। আৰ্য্য সভ্যতাৰ আৰম্ভণিৰে পৰা হয়তো অসমত এটা সু-সভ্য জাতি আছিল আৰু সেই জাতিয়ে অসম আইৰ উৰ্ব্বৰা বুকুত কৃষিৰ বীজ ৰোপন কৰিছিল। সেয়ে অনাদি কালৰে পৰা অসমীয়া জাতি কৃষি বিদ্যাৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। অসমীয়া জাতিৰ কৃষি জীৱনত ডাকৰ বচনৰ প্ৰভাৱ সুস্পষ্ট। কৃষিৰ নিয়ম নীতিবোৰ ডাকৰ বচন বোৰত অতি স্পষ্টভাৱে পোৱা যায়। বিশেষকৈ কি সময়ত কি খেতি কৰিব লাগে, কোন মাটিত কেনেকুৱা ধৰণৰ খেতি ভাল হয়, তাৰ এটি উপদেশ মূলক বচন ডাক ভণিতাত আছেঃ

ৰ'দে বৰষুণে সমে লাই ; তেবেসে কৃষিৰ
লাভক পাই ॥

ভাদৰ চাৰি আহিনৰ চাৰি, মাহকৰা
যিমান পাৰি ॥

আহাৰ শাওঁনত নকৰে ধান। তাহাৰ
কৃষিত কিমত মন ॥

অসমীয়াৰ কৃষি জীৱনৰ প্ৰধান সজুলি হল গৰু। সেই বুলি যি কোনো গৰু হলেই যে খেতি কৰিব পাৰি তেনে নহয়। কি ধৰণৰ গৰু কৃষিৰ বাবে উপযোগী সেইকথা ডাক মহাপুৰুষে ভণিতা এটিৰ দ্বাৰা কৈ থৈ গৈছে।—

গৰু কিনিবা চিকণ জালি।
দুই চাৰি ছয়দন্তীয়া ভালি ॥
ছয়-নৱদন্তী ভাগ্যেসে পায়।
সাত-দন্তীক দেখি পলায় ॥
হৰিণৰ সদৃশ যাৰ কাণ।
সেই বলধক বিচাৰি আন ॥

আমকি কেনে বৰণৰ গৰু কিনিব লাগে তাকো তেখেতে উল্লেখ কৰি গৈছে। শিং নোহোৱা চুটি-চাপৰ, সৰু মূৰৰ গৰু কিনিবলৈ ডাকে তেওঁৰ ভণিতাত উল্লেখ কৰিছে। অকল গৰুতে আবদ্ধ নেথাকি সবল হোজা খেতিয়কৰ সুবিধাৰ বাবে মাটি কিমান দূৰত হব লাগে তাৰো এটি মনঃপুত বৰ্ণনা তেখেতে দিছে।

গৰু কিন যদি চিত পাবৰ।
ডাক মেলিয়ো একে আধাৰ ॥
গৰু কিনিবা নিগুন বগা।
বোলন্ত ডাকে মই হত লগা ॥
টকা নেক্সা ঠুটুৰি চুটি।
সেই জানিবা গাৰিয়া গুটি ॥
গৰু কিনিবা দীঘল চাজা।
মৈত উঠিলে নহয় কুঁজা ॥
গাৱঁৰ বলদ ওচৰৰ ভূঁই।
ডাক নেৰিবা জানন্তা হুই ॥

বিভিন্ন সময়ৰ বিভিন্ন খেতিৰ বাবে বিভিন্ন জলবায়ুৰ প্ৰয়োজন। জলবায়ুৰ ওপৰতে খেতি নিৰ্ভৰ কৰে। কোন খেতি কি জলবায়ুৰ প্ৰভাৱত বৃদ্ধি হয় তাক জনাটো অতি আৱশ্যক। সেয়ে ডাকে কোন সময়ৰ বৰষুণ কি খেতিৰ বাবে উপযোগী তাকো বিশদভাৱে উল্লেখ কৰিছে।

"মাঘে সপ্তমী বৰিষে দেৱ।
বেৰা এৰি কৰা নাঙল সেৱ ॥

গৃহ লক্ষণ প্ৰকৰণত ডাকৰ বচন সমূহক অসমীয়া জাতিলৈ এটা বিশিষ্ট অৱদান বুলিয়ে কব পাৰি। কাৰণ আজিৰ পৰা বহু যুগ আগতে মানুহে যেতিয়া সভ্যতাৰ প্ৰথম খাপত পদক্ষেপ কৰিছিল

ক্ষেত্ৰিয়া গৃহ নিৰ্ম্মাণ বা ইয়াৰ অৱস্থানৰ বিষয়ে তেওঁলোকৰ ভাল জ্ঞান নাছিল। কিন্তু ডাক মহাপুৰুষে এই সম্পৰ্কত যি বোৰ বচন আগবঢ়ালে এইবোৰ সচাকৈয়ে বিজ্ঞান সম্মত। আনকি ঘৰৰ ষাৰীত কি কি গছ ৰাখিব লাগে, তাকো ডাকে উপদেশ মূলক ভাবে ডাঙি ধৰিছে।

গৃহ লক্ষণ প্ৰকৰণৰ পিচতে আমাৰ জীৱনত প্ৰয়োজন হয় কিছুমান নীতি নিয়মৰ। সেয়েহে ডাক মহাপুৰুষে কিছুমান নীতি নিয়ম আমাৰ বাবে বান্ধি থৈ গৈছে। এই-বিলাক বেদ, উপনিষদ পঞ্চতন্ত্ৰ আৰু হিতোপদেশ আদিৰ বাণীৰ দৰেই সুন্দৰ আৰু শ্ৰুতিমধুৰ আৰু এইবোৰ আমাৰ দৈনন্দিন জীৱনত অপৰিহাৰ্য্য। উকুষা ঘৰত মানুহ থাকিব নেপায়; ষোল বছৰত ছোৱালী বিয়া দিব লাগে; আহাৰ শাওনত গাই খীৰাব লাগে ইত্যাদি নানা তৰহৰ উপদেশমূলক কথা ডাকে কৈ গৈছে।

উকুষা ঘৰত বাৰিষা থকা।

যুৱতী কন্যাক ঘৰত ৰখা॥

নাৰী চৰিত্ৰ সম্বন্ধেও ডাক ভণিতাত বহু কথা পোৱা যায়। ৰতি শাস্ত্ৰত উল্লেখ থকা পদ্মিনী, চিত্ৰানী, শংখিনী আৰু হস্তিনী এই চাৰি ধৰণৰ নাৰীৰ কথা তেখেতে প্ৰকাৰান্তৰে উল্লেখ কৰিছে। যি নাৰীয়ে নিজ মনৰ অভিৰুচিৰে হাট বজাৰত ফুৰে, কাকো নেমানে, স্বামীৰ প্ৰতি উদাসীন আৰু কৰ্কশ মাতেৰে সকলোকে ব্যৱহাৰ কৰে তেনেকুৱা নাৰীৰ ওচৰলৈ যাবলৈ ডাকে বাধা কৰিছে। আকৌ আনহাতে যি নাৰীৰ উচ্চবংশত জন্ম, ব্যৱহাৰ সদায় মধুৰ, যি নাৰীয়ে কেতিয়াও স্বামীৰ কথা অমান্য নকৰে, শাহু শহুৰেকৰ উপদেশমতে সকলো কৰ্ম্ম কৰে, যি নাৰীয়ে পুৱা-গধূলি ধূপ-ধূনা, চাকি-বন্তি জ্বলাই গুৰু সজ্জন অতিথিক সেৱা সৎকাৰ কৰে, স্বামীক ভক্তি কৰে, কড়া-কড়িকৈ ধন সাঁচে, আয়-চায় ব্যয় কৰে, 'ডাকে বোলন্ত সেই নাড়ীৰ জাতি।' ডাকে ছোৱালী বিচাৰ সম্বন্ধেও এইদৰে মন্তব্য কৰিছে।

"টিক বলধা ওলাই মাটি।

মাক ভালে জীয়েক জাতি॥

অকল নাৰী চৰিত্ৰৰ সম্বন্ধেই নহয়, পুৰুষৰ সম্বন্ধেও তেওঁৰ গভীৰ জ্ঞান থকাৰ প্ৰমাণ পোৱা যায়। কেনেকুৱা পুৰুষ ভাল, কি কি লক্ষণত পুৰুষ ভাল বুলি চিনিব পাৰি, তাকো ডাক ভণিতাত পোৱা যায়। যি পুৰুষৰ মূৰৰ চুলিবোৰ কেকোৰা-কেকুৰী, যি বিলাকে অলপ টোপনি যায়, যি বিলাকৰ নাভী গভীৰ, মাত গভীৰ, সেই বিলাক পুৰুষ ভাল লক্ষণৰ বুলি ডাকে ভণিতাত উল্লেখ কৰিছে—

"অলপ নিদ্ৰা অলপ ব্যয় কৰ।

বসি থাকি সৰ্ব্ব-কৰ্ম্ম-আচাৰ॥

ধৰ্ম্ম সম্বন্ধেও ডাকে নানা কথা কৈ গৈছে। আনকি ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ মাজত চলি অহা ধৰ্ম্ম, কৰ্ম্ম, অৰ্থ আদিৰ নিয়ম পদ্ধতি আচাৰ ব্যৱহাৰ বিলাকৰ কথা ডাকৰ বচনত পোৱা যায়। খাল খন্দা, গছ পুলি ৰোৱা এটি মহৎ কৰ্ম্ম, বেমাৰত ঔষধ দিয়া, অনাহাৰীক অন্ন দিয়া এটি মহৎ দান। ডাকে ইয়াক এইদৰে কৈছে—

"সেবেসে ধৰ্ম্মক কৰিবা জানি।

পুখুৰী খানিয়া ৰাখিবা পানী॥

বৃক্ষৰোপনত অধিক ধৰ্ম্ম॥

মঠ মণ্ডপ গুৰুত্ব কৰ্ম্ম।

মানৱ জীৱন অনিত্য, দেহ নশ্বৰ। এদিন আহিছে

আকৌ এদিন যাবই লাগিব। এই জগতত সকলো সমান। এই বিষয়ে ডাকে কৈছে—

অনিত্য দেহত নাহিকে আশা
ধন জন বস্ত্রে কি বিশ্বাস॥

ডাকৰ বচন সমূহত ৰন্ধনৰ নিয়ম পদ্ধতিৰ বিষয়েও উল্লেখ পোৱা যায়। অসমীয়াৰ প্ৰিয় ব্যঞ্জন বিলাকৰ ৰন্ধন প্ৰণালী ডাকৰ বচনবোৰৰ পৰাই জানিব পাৰি। ইয়াৰ পৰা ডাক মানুহজন অসমৰ বাহিৰৰ নহয় বুলি অনুমান কৰিব পাৰোঁ। কাৰণ তেওঁৰ ভণিতা সমূহত অসমীয়াৰ প্ৰিয় খাদ্য আৰু প্ৰিয় আঞ্জা চেঙা-চেঙেলী, কাহুদী আৰু তেতেলী টেঙাৰ কথা পোৱা যায়। আনকি খাৰ কচুলীৰ কথাও তেওঁৰ বচনবোৰত আছে—

চাউল দিবা যতেক ততেক।
পানী দিবা তিনি ততেক॥
চেঙা-চেঙলী জাগিৰ ৰসে।
কাহুদী দিয়া যেৱে পাবিসে॥
মুখৰ অৰুচী দূৰক যাই।
আনেক লব দেবে গোহ যায়॥

কেনেকুৱা নাৰী কেনেকুৱা পুৰুষ কেনেকুৱা বস্তু আৰু কেনেকুৱা পথ পৰিত্যাগ কৰিব লাগে তাৰো কিছুমান উপদেশ ডাকৰ বচন সমূহত পোৱা যায়।

তিনি নাৰী যাৰ একেটি স্বামী।
তাক পৰিহৰা বোলোহি আমি॥
পৰিহৰ কিৰিষি নদীৰ পাৰে।
পৰিহৰা নাৰী ৰতি নাই যাৰ।
পৰিহৰা মন্দিৰ সমীপে বাট।
পৰিহৰা যুৱতী বিকৰে হাট॥

তেনেদৰে ৰাজনীতি প্ৰকৰণতো কি কি কৰ্ম্মত মানুহক চিনিব পাৰি আৰু ৰজাক কেনেদৰে জানিব পাৰি আৰু কি কি কাম কৰিলে কোন সাধু কোন চোৰ আদি জানিব পাৰি সেই বিলাক কথাৰো ডাক ভণিতাত উল্লেখ আছে।

ৰজাক চিনিবা দানত।
ঘোৰাক চিনিবা কানত॥
খুৰক চিনিবা শাণত।
তিৰীক চিনিবা স্থানত॥

মানুহৰ স্বাস্থ্যৰ বিষয়েও ডাকৰ গভীৰ জ্ঞানৰ প্ৰমান পোৱা যায়। কোন কোন সময়ত কি কি খাদ্য খাব লাগে আৰু কেতিয়া কি বস্তু গাত ব্যৱহাৰ কৰিব লাগে সেই কথা ডাকে সুচাৰুৰূপে বৰ্ণনা কৰিছে। এই ডাকৰ বচনবোৰ তাহানিৰ কৃষি অৰ্থাৎ যুগৰ মানুহে মানি চলা একো আচৰিত কথা নাছিল। আজিও অসমৰ খেতিয়কৰ জীৱনত যন্ত্ৰ যুগৰ প্ৰভাৱ পৰাগৈ নাই, সেইবাবে আজিৰ অসমীয়াই কথাই কথাই ডাকৰ নাম লয়। কিন্তু আজি কালিৰ বিজ্ঞান সম্মত মানুহে ডাকৰ বচনৰ ঐতিহাসিক মূল্যহে স্বীকাৰ কৰিব পাৰে, নিজৰ জীৱনত সেই প্ৰাচীন প্ৰমূল্য সমূহৰ প্ৰয়োগ কৰিব নোৱাৰে।

ডাকৰ বচনবোৰ দৈনন্দিন সাংসাৰিক জীৱনত প্ৰয়োজনীয় কিছুমান নীতিশাস্ত্ৰৰ সমষ্টি। ইয়াত কোনো কাব্যিক কল্পনা বা ছন্দৰ হিল্লোল নাই, আছে মাথো উকা ছন্দৰ ৰচিত কিছুমান পোন-পটীয়া সত্য। ইহঁতক প্ৰাচীন গ্ৰীক কবি হেচি-য়েড্ৰ কেতবোৰ ৰচনাৰ লগত তুলনা কৰিব পাৰি। হেচিয়েডৰ Work & Days নামৰ পুথি-

খনত থকাৰ দৰে ডাকৰ বচনবোৰতো খেতিয়ক ব্যৱসায়ী আদিৰ কৰ্ত্তব্য, তিৰোতাৰ চৰিত্ৰ, দিন বাৰ গণনা আদি কথাৰ উল্লেখ আছে।

ডাকৰ অস্তিত্ব সম্বন্ধে নানা জনে নানা মত প্ৰকাশ কৰিছে আৰু ভাৰতৰ পূৰ্ব প্ৰান্তৰ প্ৰায় প্ৰতিখন প্ৰদেশেই তেওঁক নিজৰ দেশৰ লোক বুলি দাবী কৰিছে। কিন্তু সি যিয়েই নহওঁক "ডাক পুৰুষৰ ঐতিহাসিক কথা এৰিলেও ডাক বচনবোৰৰ যে এটা নিজা বুৰঞ্জী আছে সেই কথা মুই কৰিব নোৱাৰি ; আৰু ডাকৰ বিজ্ঞান সন্মত জীৱনতকৈ এই বুৰঞ্জীৰ সম্বল বিচাৰৰহে অধিক আৱশ্যকীয়। ডাকৰ বচন আৰু পটন্তৰ মালাৰ বুৰঞ্জীয়ে যাতে অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ বুৰঞ্জীৰ শ্ৰেষ্ঠ উপদান যোগাব পাৰে, তাৰ বাবে প্ৰথমতে বিজ্ঞান সন্মত ভাৱে সম্পাদিত ডাকৰ বচন এখনি আৱশ্যকীয় কাম।"

( ডিম্বেশ্বৰ নেওঁগ )



# জীৱ বৈজ্ঞানিকৰ দৃষ্টিত মানুহ

শ্ৰীনৰেন কলিতা
তৃতীয় বাৰ্ষিক, বিজ্ঞান

প্ৰকৃতি জগতত, যাইকৈ জীৱজগতত মানৱজাতিৰ অৱস্থান এটা আকৰ্ষণীয় আলোচ্য বিষয় বস্তু। মানুহ সম্পৰ্কে কৌতুহল আৰু অনুসন্ধিৎসাৰ এতিয়াও শেষ হোৱা নাই। পৌৰাণিক ধৰ্ম্মীয় আখ্যান সমূহৰ মতে কোনো ঐশ্বৰিক শক্তিৰ পৰাই মানুহৰ জন্ম। আনহাতে বিজ্ঞানীসকলৰ মতে কোনো জীৱ-জন্তু বা কোনো জৈৱিক পদাৰ্থ বা আন কোনো উপাদানৰ পৰাই মানুহৰ জন্ম। মানুহ সম্পৰ্কে জীৱ-বিজ্ঞানীসকলৰ দৃষ্টিভঙ্গী লেখত লবলগীয়া। মানুহৰ শাৰীৰিক অঙ্গ প্ৰত্যঙ্গ আৰু ইয়াৰ গঠন, ভ্ৰূণতাত্ত্বিক বিকাশ, অতীত বুৰঞ্জী আৰু জীৱাশ্মবাদৰ ( Fossil record ) বিশ্লেষণৰ দ্বাৰা পৃথিবীত মানুহৰ অৱস্থান সম্পৰ্কে বিজ্ঞানী সকলে এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। মানুহৰ শৰীৰ বা আনকোনো বিষয়ৰ আলোচনাৰ আগতে মানুহৰ অৱস্থান সম্পৰ্কে কেইটামান বিষয়ৰ থুলমূল আভাষ লোৱা যাওঁক।

মানুহ সমেৰুদণ্ডী ( Vertebrates ) প্ৰাণী কাৰণ ইয়াৰ কৰোটি (Cranium) উন্নত, হাড়ে হাড়ে জোৰা লগা আৰু স্নায়ৱিক নাড়ী উন্নত। শৰীৰত নোম আৰু স্তন থকা হেতুকে মানুহ স্তন্যপায়ী প্ৰাণী ( Mammals)। মানুহৰ আন কিছুমান

শাৰীৰিক গুণ হল নখযুক্ত চতুষ্পাদ, নেজহীনতা, অধিক ক্ষমতাসম্পন্ন বৃহৎ আকাৰৰ মগজু, মগজু খোলা ( Brain Case ) মুখমণ্ডলতকৈয়ো বৃহৎ; মুখমণ্ডল বহল আৰু থিয়, তলপাৰি দাত কম পৰিমাণে উন্নত, কমবেচি পৰিমাণে দাঁতবোৰ সমাকৃতিৰ; দেহাংশতকৈ শিৰাংশৰ চুলি দীঘল আৰু ঘন; ভৰি বাহুতকৈ ৩০ শতাংশ দীঘল, উৰু উন্নত; ভৰু আৰু কোমল অংশবোৰ বিভিন্ন আকৃতিৰ।

আকৃতিঃ—মানুহৰ সৰ্বসাধাৰণ উচ্চতা হল ৪ফুঃ৮ইঞ্চিৰ পৰা ৬ফুঃ৬ইঞ্চিলৈ। কেতিয়াবা ইয়াৰ ব্যতিক্ৰমো দেখা যায়। অস্বাভাৱিক ভাবে কিছুমান মানুহৰ উচ্চতা ১ফুট ৬ইঞ্চিৰ পৰা ৩ফুটলৈ হোৱা দেখা যায় আৰু আনহাতে 'পিটুটাৰি গ্ৰন্থিৰ (Pitutary gland) বিশেষক্ৰিয়া বশতঃ কোনো মানুহৰ উচ্চতা ৯ফুট পৰ্য্যন্ত হয়গৈ। বিভিন্ন স্থায়ী এলেকাৰ বাসিন্দাসকলৰ উচ্চতাৰ হাৰ বিভিন্ন ধৰণৰ যেনে— আফ্ৰিকাৰ পিগমীসকলৰ গড় উচ্চতা হ'ল ৪ফুঃ ৩ইঞ্চি আৰু অষ্ট্ৰেলীয়াৰ বাসিন্দাসকলৰ গড় উচ্চতা ৬ফুট। উপযুক্ত খাদ্যৰ অভাব আৰু জলবায়ুৰ অত্যাধিক চাপৰ ফলত মানুহৰ উচ্চতা কমি আহে, আনহাতে উপযুক্ত খাদ্যৰ ফলত উষ্ণঅঞ্চলৰ মানুহৰ উচ্চতা বৃদ্ধি পায়। অলপতে হৈ যোৱা এটা সমীক্ষা মতে আমেৰিকা যুক্তৰাজ্যৰ মানুহবোৰৰ উচ্চতা বৃদ্ধি পোৱা দেখা গৈছে। জনামতে মাতৃ সকলতকৈ জীয়েক সকলৰ উচ্চতা ১.১ ইঞ্চিৰ পৰা ১.৫ ইঞ্চিলৈ বৃদ্ধি পাইছে। আমেৰিকাৰ মতা মানুহৰ গড় উচ্চতা হ'ল ৫ফুঃ ৮ইঞ্চি আৰু তিৰোতাৰ ৫ফু ৪ইঞ্চি

মানুহৰ ওজনৰ পৰিমাণ যাইকৈ নিৰ্ভৰ কৰে বংশ, যৌনাঙ্গ, উচ্চতা আৰু বয়সৰ ওপৰত। মানুহৰ সৰ্বসাধাৰণ ওজনৰ পৰিমাণ মতামানুহৰ ১৫০ পাউণ্ড আৰু তিৰোতাৰ ১৪০পাউণ্ড হয়। অত্যাধিক স্থূলকায় পুৰুষ সকল এই ক্ষেত্ৰত বাদ পৰিব যি সকলৰ ওজন ৭০০ পাউণ্ডলৈ হয় আৰু তাৰ ওলোটা স্বৰূপ কিছুমান মানুহৰ ওজন মাত্ৰ ৫০ পাউণ্ডো হয়। পূৰ্ণবয়স্কতাত শৰীৰৰ ওজন যাইকৈ নিৰ্ভৰ কৰে জমা হোৱা চৰ্বিৰ ওপৰত।

শৰীৰৰ আৱৰণঃ—মানুহৰ শৰীৰ এখন সূক্ষ্ম আৰু পাতল ছালে আবৰি থাকে। ছালৰ বৰণ নিৰ্ভৰ কৰে চৰ্ম্মাংশৰ (Dermis), তেজচলাচল কৰা শিৰবোৰত থকা ৰঙা তেজকোষবোৰৰ ( Red BloodCell )' হিমোগ্লোবিন '( Hemoglobin ), ছালত থকা কলা "মেলানিন, (Melanin) আৰু হালধীয়া 'কেৰোটিন' ( Cerotene ) বোৰৰওপৰত। ছালত থকা 'মেলানিন' ৰ পৰিমাণেই হ'ল বগা, হালধীয়া, পিঙ্গল আৰু কৃষ্ণবৰ্ণৰ মূল উৎস। গৌৰ বৰ্ণৰ ( White ) ছালত কৃষ্ণবৰ্ণতকৈ ( Black ) কম পৰিমাণৰ মেলানিন থাকে আৰু তিৰোতা সকলৰ মতাতকৈ কম থাকে। হালধীয়াবৰণ যাইকৈ হাত আৰু ভৰিৰ তলুৱা আৰু চকুৰ পতাৰ পৰাই লক্ষ্য কৰিব পাৰি। অত্যধিক সূৰ্য্যৰ কিৰণত কাম কৰা মানুহৰ ছাল ফুটুকা ফুটুকী ( Pigmented ) হোৱা দেখা যায়। কিন্তু কৃষ্ণবৰ্ণৰ ছালে মানুহক 'আল্ট্ৰাভায়োলেট' ৰশ্মিৰ ( Ultraviolet Radiation ) পৰা ৰক্ষা কৰে।

মানুহৰ ছালৰ আন এটা লক্ষ্য কৰিবলগীয়া

কথা হল ইয়াৰ ঘাম গ্ৰন্থিবোৰ ( Sweatglands) যিবোৰ আন জীৱজন্তুত দেখা নাযায়। ইয়াৰ প্ৰধান কাম হল নিমখীয়া আৰু অলাগতিয়াল দ্ৰব্যবোৰ শৰীৰৰ পৰা বাহিৰ কৰি দিয়া। চুলি বা নোমবোৰ মানুহৰ ছালৰ বিশিষ্ট অংশ।

নোম বা চুলিঃ—কেইটামান বিশেষ লক্ষনৰ বাহিৰে আন আন স্তন্যপায়ী জন্তুৰ দৰেই মানুহৰ মূৰৰ চুলি দীঘল আৰু পাতল। বয়সৰ বিভিন্ন অৱস্থাত চুলি বা নোমৰ সংখ্যা, আকাৰ আৰু আৱৰণ বিভিন্ন ধৰণৰ। লিঙ্গভেদে ইয়াৰ সংখ্যা আৰু দৈৰ্ঘ্যাও ভিন ভিন।

শিৰ-চৰ্ম্মত (Scalp) চুলিৰ অবিছিন্ন বৰ্দ্ধন মানুহৰ এটা উল্লেখযোগ্য লক্ষণ। চকুৰ ভ্ৰূ, চকুৰপতা, বহি কৰ্ণপথ আৰু নাকৰ ভিতৰভাগত বিশেষ ধৰণৰ নোমথাকে। ওঠযুগল, হাত আৰু ভৰিৰ তলুৱা, প্ৰতিটো আঙুলিৰ বহিগ্ৰন্থী সমূহ আৰু জননেন্দ্ৰিত নোম দেখা নেযায়। শৰীৰৰ নোমবোৰে শীত, তাপ আৰু কোনো বিষাক্ত বস্তুৰ পৰা ৰক্ষা কৰাত সহায় কৰে।

কৰি সপ্তাহ সময়লৈকে মানৱ ভ্ৰূণ কোমল নোমেৰে আবৃত হৈ থাকে, যিবোৰ জন্ম বা জন্মৰ আগতেই সৰি যায়। নৱজাত শিশুৰ মূৰৰ ছালত কলা চুলি থাকে যিবোৰৰ সময়ত বৰণ সলনি হৈ যায়। বাল্যাৱস্থাত শৰীৰত নোমৰ সংখ্যা কম থাকে, কিন্তু কিশোৰ অৱস্থাত বাহুমূল আৰু যৌনাঙ্গৰ ওচৰত নোমৰ বৰ্দ্ধন দেখা যায়। যেতিয়া লৰা গৈ ডেকা হয় তেতিয়া মুখত আৰু বক্ষস্থলিত নোম গজিবলৈ আৰম্ভ কৰে। যৌৱনাৱস্থাতত পুৰুষৰ মুখমণ্ডলত কোমল নোম গজে, কিন্তু মহিলাৰ ক্ষেত্ৰত কম দেখা যায়। কেতিয়াবা অস্বাভাৱিক দাড়িযুক্ত মহিলাও দেখা যায়।

পিছৰ জীৱনত অৰ্থাৎ বয়স বাঢ়ি অহাৰ লগে লগে ছালৰ সুক্ষ্মতম জৈৱিক পদাৰ্থবোৰৰ ক্ৰিয়া কমি আহে আৰু ফলত চুলিৰ বৰণ গেৰুৱা হয় আৰু পিছত বগা হয় গৈ। মূৰৰ চুলি সৰিবলৈ আৰম্ভ কৰে আৰু চুলিবোৰে বিভিন্ন আকাৰ লবলৈ ধৰে। দাড়ি ধূসৰ বৰণ লয় আৰু মূৰ তপা হয়গৈ। তালু ওলোৱা বা তপা হোৱা আদি বংশ গতিৰেই ( Heridity ) ফল যদিও চিকিৎসা বিজ্ঞানে ইয়াৰ বহুতো সফল চিকিৎসাৰ চানেকি দিছে।

পৃথিৱীৰ বিভিন্ন আকৃতিৰ মানুহৰ চুলিও বিভিন্ন ধৰণৰ। প্ৰাচ্য, আমেৰিকা আৰু ভাৰত বৰ্ষৰ মানুহৰ চুলি পোন আৰু কলা, নিগ্ৰো সকলৰ চুলি কেকোৰা আৰু স্কান্দিনেভিয়াবাসী সকলৰ চুলি হালধীয়া বৰণৰ হয়। চুলিৰ একোটা অংশ কাটি চালে দেখা যায় যে মঙ্গোলীয়া সকলৰ চুলিৰ আকৃতি ঘূৰণীয়া আৰু আনহাতে দক্ষিন আফ্ৰিকাবাসী সকলৰ চুলি ডিম্বাকৃতিৰ।

একোটা কমসময়ৰ ভিতৰত চুলিবোৰ সৰি থাকে, চকুৰ ভ্ৰূ আৰু চকুৰ পতাৰ নোম প্ৰতি চাৰি বা পাছ বছৰৰ মূৰত সৰি থাকে। শিৰচৰ্ম্মত প্ৰায় ১০.০০০ চুলি থাকে।

অস্থি আৰু দাঁত— অস্থি আৰু দাঁত মানুহৰ প্ৰধান অঙ্গ। মস্তিস্কৰ কৰোটি (Cranium) হাড় জাতীয় আৱৰণে ঢাকি ৰাখিছে। 'অক্সিপিটেল্ কন্দাইল' ( Occipital Condyle ) লাউখোলাৰ ( Skull ) তলভাগত থাকে, মগজুৰ খোলা ডাঙৰ নাকৰ অংশ চুটি আৰু তলপাৰি দাঁত ইংৰাজী 'ইউ' (U) আখৰৰ আকৃতিৰ। লাউখোলাৰ বৰ্দ্ধন

প্ৰথমাৱস্থাত ৭ বছৰৰ বয়সত হয় আৰু পিছত কৈশোৰ অৱস্থাতো হয়। কিন্তু লাউখোলাৰ জোৰা সমূহ বন্ধ হওঁতে বৃদ্ধ অৱস্থাও পায়গৈ। মানুহৰ ৰাজহাড়ত ৩৩টা গাথি আছে কিন্তু নেজ নোহোৱা হেতুকে কোনো নেজযুক্ত গাথি (Caudal vertebrae) নাই। বুকুৰ কামিহাড়বোৰৰ গঠন সুন্দৰ। হাত ভৰিৰ হাড়বোৰ উন্নত।

আন আন জীৱজন্তুতকৈ মানুহৰ দাঁত অলপহে বেলেগ আৰু দাঁতবোৰৰ উচ্চতা প্ৰায় সমান। প্ৰথমাৱস্থাত অস্থায়ীদাঁত কুৰিটা থাকে আনহাতে পূৰ্ণবয়স্কতাত ২৮ ৰ পৰা ৩২ টালৈ স্থায়ী দাঁত থাকে। স্থায়ীদাঁতৰ সংখ্যা ঘাইকৈ নিৰ্ভৰ কৰে পেষক দাঁতৰ (Molar) সংখ্যা আৰু ইয়াৰ বয়সৰ ওপৰত। মানুহৰ দাঁত চাৰিপ্ৰকাৰৰ—আগ দাঁত (Incisor), ছেদন দাঁত (Canines), অপেষক দাঁত (Pre-Molar) আৰু পেষক দাঁত (Molar)। বিভিন্ন বয়সত মানুহৰ দাঁত গজা আৰু সৰাৰ এখন তালিকা তলত দিয়া হল।

মাংসপেশীঃ— অন্যজন্তুৰ দৰেই মানুহৰ শৰীৰত পাঁচশ বা তাতোধিক মাংসপেশী আছে। যদিও ইয়াৰ আকাৰ প্ৰকাৰ আৰু গঠন আন জন্তুতকৈ অলপ বেলেগ তথাপি পুৰণি বিজ্ঞানীসকলে ইয়াক পেশীবুলিয়েই আখ্যা দিছে। পেশীবোৰে মানুহৰ শৰীৰটোক ধৰি ৰাখিছে। হাত, ভৰি আৰু আঙুলিৰ পেশীবোৰ বহুপৰিমাণে সময় (flexible)। মুখমণ্ডলৰ পেশীবোৰ আটাইতকৈ আকৰ্ষণীয়, যিবোৰে মানুহৰ আনুভূতিক গুণবোৰ যেনে আনন্দ, খং আদি প্ৰকাশ কৰাত সহায় কৰে। মাংসভোজী

| | আগদাঁত | | ছেদন দাঁত | অপেষক দাঁত | | পেষক দাঁত | | |
|---|---|---|---|---|---|---|---|---|
| | মধ্য | কাষৰ | | ১ম | ২য় | ১ম | ২য় | ৩য় |
| অস্থায়ী দাঁত গজাৰ সময় (মা?) | ৬—৮ | ৭—৯ | ১৭—১৮ | ১৪-১৫ | ১৮-২৪ | X | X | X |
| সৰিবৰ সনয় (বছৰ) | ৭ | ৮ | ১০ | ১০ | ১১-১২ | | | |
| স্থায়ী গজাৰ সময় ( বছৰ ) ওপৰ পাৰি……… | ৭-৮ | ৭-৮ | ১২-১৩ | ৮-১১ | ১১-১২ | ৬-৭ | ১২-১৪ | ১৭-২০ |
| তল পাৰি……… | ৭-৮ | ৮-৯ | ১:-১৩ | ১০-১১ | ১১-১২ | ৬-৭ | ১১-১৩ | ১৬-২০ |

প্ৰাণীবোৰেও সন্তুষ্টি আৰু খং প্ৰকাশ কৰিব পাৰে কিন্তু প্ৰায়বোৰ প্ৰাণীৰে মুখবোৰ ভাব প্ৰকাশ কৰিবলৈ অসমৰ্থ।

শৰীৰৰ ভিতৰুৱা অঙ্গপ্ৰত্যঙ্গ :— শৰীৰৰ ভিতৰৰ অংশত থকা বিভিন্ন অঙ্গ ( Organs ) সমূহ পৰ্দাৰ নিচিনা পাতল মেচেন্টি ( Mesentery ) বিলাকে শৰীৰৰ পিঠিৰ ভাগত ধৰি ৰাখে। খাদ্যনলী ( Intestine ) আৰু ইয়াৰ সন্মুখৰ বেৰখনৰ মাজত থকা মেচেন্টি বিলাকে এপ্ৰন ( Apron) ৰ দৰে অঙ্গ সমূহ ৰক্ষা কৰে। এইঅংশ চাৰিটা তৰপেৰে গঠিত আৰু ইয়াত চৰ্বি জমা হয়, যিবোৰে ভিতৰৰ অঙ্গসমূহক আবৃত কৰাৰ উপৰিও অতিৰিক্ত তাপ হেৰুৱাৰ পৰা ৰক্ষা কৰে। হাওঁফাও আৰু ৰক্তসঞ্চালন প্ৰনালী উন্নত ধৰণৰ।

বিশেষ গুণসম্পন্ন মগজু—নাইবা স্নায়ুযন্ত্ৰ—

মানুহৰ মস্তিস্ক লক্ষণীয় আৰু আকাৰত বহু-ডাঙৰ। মস্তিস্কৰ মাজভাগ ( Cerebral hemisphere ) সুদীৰ্ঘআৰু ই গোটেই মাস্তস্কৰ ওপৰতে বিয়পি আছে। মগজুৰ এই অংশই অধিক ক্ষমতাসম্পন্ন।

মানুহৰ মস্তিস্কৰ ওজন গড়ে তিৰোতাৰ ১,২৫০ গ্ৰাম আৰু মতামানুহৰ ১,৩৫০ গ্ৰাম। মগজুৰ আয়তন প্ৰায় ১,৫০০ ঘনচেন্টিমিটাৰ। মগজুৰ আকৃতি আৰু মানসিক শক্তিৰ বৰ বেছি ওচৰ সম্বন্ধ নাই। উদাহৰণ স্বৰূপে সুবিখ্যাত বিজ্ঞানী "বেৰণ জৰ্জ কুভিয়াৰৰ" মগজুৰ ওজন আছিল ১,৮৩০ গ্ৰাম আৰু আনহাতে প্ৰায় সমান প্ৰতিভাসম্পন্ন "এনাটোল ফ্ৰাঁৰ" মগজুৰ ওজন আছিল মাত্ৰ ১,১৯০ গ্ৰাম। অন্যান্য জীৱজন্তুৰ মগজুতকৈ মানুহৰ মগজুৰ আকৃতি আৰু শক্তি বহুগুণে উন্নত। মগজুৰ ওজন যথাক্ৰমে কুকুৰৰ ১৩৫ গ্ৰাম, গৰিলাৰ ৪৩০ আৰু আনহাতে মানুহৰ ১,৩৫০ গ্ৰাম

মানুহৰ উৎপাদন প্ৰনালী:— শিশু অৱস্থাত যৌন সম্বন্ধীয় সকলো কথাৰ বিকাশ নহয়। যেতিয়া শিশু কৈশোৰ ভৰি দিয়ে ক্ৰমান্বয়ে যৌনাঙ্গ সমূহৰ পূৰ্ণবিকাশ হবলৈ ধৰে। অৱশ্যে এইবয়সৰ সীমা ১০বছৰৰ পৰা ১৭বছৰলৈ থাকে। এইবয়স খিনিক কৈশোৰ অৱস্থা বুলি কোৱা হয়। এই সময়তেই লিঙ্গ ভেদে চৰিত্ৰসমূহ ফুটি উঠে। পুৰুষসকলৰ দাড়ি আৰু শৰীৰৰ নোম গজিবলৈ আৰম্ভ কৰে, কান্ধ উন্নত হয়, মাতৰ গভীৰতা বাঢ়ে আৰু বিপৰীত লিঙ্গৰ প্ৰতি আকৰ্ষিত হয় তিৰোতাসকলৰ বক্ষস্থলৰ স্তনযুগল (Mammary-glands) আৰু নিতম্ব উন্নত হয়, যৌনাঙ্গৰ বিভিন্ন পৰিবৰ্ত্তন হয় আৰু ডেকাসকলৰ প্ৰতি আগ্ৰহান্বিত হোৱা দেখা যায়।

স্বাস্থ্যৱতী মহিলাসকলৰ জৰায়ুৰ (Uterus) উপৰিভাগৰ কোষবোৰৰ পৰা তেজ, শ্লৈস্মিক ৰস (Mucus) বাহিৰ হৈ ঋতুস্ৰাৱ (Menstruation) হয়। ঋতুস্ৰাৱ গড়ে প্ৰতি ২৮দিনৰ মূৰত শেষৰ ৪ বা ৫ দিনত হয়। ঋতুস্ৰাৱে জৰায়ুক ডিম্বৰ (Ovum) অৱস্থিতি ঘটাবলৈ সাজুকৰে। গৰ্ভৱতী অৱস্থাত ঋতুস্ৰাৱ বন্ধ হয়। ৪৫ৰ পৰা ৫০বছৰৰ ভিতৰত ঋতুস্ৰাৱ সম্পূৰ্ণভাৱে বন্ধ হৈ যায় আৰু ইয়েই উৎপাদন ক্ষমতা নাইকিয়া হোৱাৰ প্ৰধান লক্ষণ। পুৰুষসকলৰ ক্ষেত্ৰত এনেকুৱা কোনো বিশেষ লক্ষণ নাই।

শিশু অৱস্থাত তিৰোতাবিলাকৰ প্ৰতিটো ডিম্বকোষত প্ৰায় ৫0,000 অপৈণত ডিম্ব থাকে

যিবোৰ কৈশোৰ অৱস্থাৰ পূৰ্বেই নাইকিয়া হৈ যায়। তেতিয়া নতুন ডিম্ব ডিম্বকোষবোৰৰ পৰা প্ৰতি ঋতুস্ৰাৱৰ অন্তৰে অন্তৰে জন্ম পায়। প্ৰতিগৰাকী তিৰোতাৰ গোটেই জীৱনত এনেকৈ প্ৰায় ৪00 ডিম্বৰ সৃষ্টি হয়।

কেতিয়াবা বহুতো ব্যতিক্ৰম দেখা যায়। ৮ বা ৯ বছৰীয়া ছোৱালীয়েও সন্তান জন্ম দিয়াৰ উদাহৰণ আছে, আনহাতে সন্তান জন্ম দিবনোৱাৰা বন্ধ্যা (Sterile) গাভৰুও আছে।




ছবি— সম্পূৰ্ণ অৱস্থাত মানৱ-ভ্ৰূণ।

যৌন মিলনৰ যোগেদি গৰ্ভত বীৰ্য্য ( Sperm ) ৰোপন কৰা হয়। জৰায়ু শ্লৈষ্মিক ৰসৰ মাজতে বীৰ্য্যৰ স্থিতি হয়। ক্ৰমান্বয়ে ভ্ৰূণৰ বিকাশ হবলৈ ধৰে আৰু ইয়াক ভ্ৰূণিক আৱৰণেৰে (Embryonic Membrane ) ঢাকি ৰখা হয়। গৰ্ভপৰিস্ৰৱৰ (Placenta) আৱিৰ্ভাৱে মাতৃ আৰু গৰ্ভৰ মাজত শ্বাস প্ৰশ্বাস, খাদ্যসংযোজন আদিৰ ব্যৱস্থা কৰে। মানৱ শিশু জন্ম হয় ২৪৩ দিনৰ পৰা ২৯৪ দিনৰ ভিতৰত। সাধাৰণতে এটা সন্তানেই জন্ম পায়। কিন্তু প্ৰতি ৮৮টা শিশুৰ মাজত এজোৰ যমজ ( Twin ), প্ৰতি ৭, ৬০০টাৰ মাজত তিনিটা একে যমজ [Triplet] আৰু প্ৰতি ৬৭০,০০০ মাজত চাৰিটা একে যমজ [Quadruplets] শিশু দেখা যায়। সন্তানৰ গড় ওজন প্ৰায় ৭ পাউণ্ড হয় কিন্তু ইয়াৰ সীমা ৫ৰ পৰা ১৩লৈ থাকে।

**শৰীৰৰ বৰ্দ্ধন :—** জন্মৰ পৰা পূৰ্ণ বয়স্ক অৱস্থালৈ এইছোৱা সময় বৰ দীঘলীয়া। এইছোৱা সময় তলত দিয়া ধৰণে ভগাব পাৰি।

১) পানীকেচুৱা বা কেচুৱা [ Prenatal and


infantile]— ৯ ৰ পৰা ১০ মাহলৈ।

২) শিশুৱস্থা [ Early childhood ] - ১০ মাহৰ পৰা ৫ বছৰলৈ।

৩) বাল্যাৱস্থা [ Juvenile ]—৫ বছৰৰ পৰা ১৪ বছৰলৈ।

৪) কৈশোৰ আৰু যৌৱনাৱস্থা [Adolescent and Post adolescent]—১৪ৰ পৰা ২২ বছৰলৈ।

কেচুৱা আৰু কৈশোৰ অৱস্থাতেই শৰীৰৰ বৰ্দ্ধন তীব্ৰ হোৱা দেখা যায়। কিন্তু যৌৱনাৱস্থাৰ পিছত শৰীৰত কোনো নতুন গ্ৰন্থিৰ সংযোগ নহয়। শৰীৰৰ বৰ্দ্ধিত ওজনৰ কাৰণ হল-- গ্ৰন্থিবোৰৰ পূৰ্ণবিকাশ, হাড়বোৰৰ মজ্জা আৰু জমা হোৱা চৰ্বিৰ ওপৰত।



মানুহ আৰু ইন্দুৰৰ বয়সৰ বৃদ্ধি আৰু ওজনৰ পৰিমাণ।

জীৱনৰ দৈৰ্ঘ্য :— মানুহৰ জীৱনৰ দৈৰ্ঘ্যৰ সীমা হল প্ৰায় ১০০ বছৰ যদিও ইয়াৰ তাৰতম্য দেখা যায়।

পুৰণি আখ্যান সমূহৰ ৯০০ বছৰ জীয়াই থকা মানুহৰ কথা অবিশ্বাস্য আৰু অপ্ৰামাণিত। পুৰণি গ্ৰীক আৰু ৰোমান সকলৰ বয়সৰ গড় আছিল ৬৭বছৰ।

বিষুবীয় অঞ্চলত মানুহৰ বয়স কম। আনহাতে কুৰিশতিকাত উত্তৰ গ্ৰীষ্ম মণ্ডলত গৌৰবৰ্ণৰ মানুহৰ বয়স বঢ়া দেখা গৈছে। স্বাস্থ্যকৰ পৰিবেশ, বেমাৰৰ বীজানু নাশ, সুচিকিৎসা আৰু পৰিপুষ্ট খাদ্যই ইয়াৰ প্ৰধান কাৰণ। কুৰিশতিকাত আমেৰিকা যুক্তৰাজ্যৰ গৌৰবৰ্ণৰ মানুহৰ জীৱনৰ দৈৰ্ঘ্যতা ক্ৰমান্বয়ে (চন আৰু বয়স)— ১৯০০-৪৭.৬, ১৯২০-৫৪.৯, ১৯৩৬— মতা-মানুহৰ ৬০.১৪ আৰু তিৰোতাৰ ৬০.৩৬, ১৯৪০— ৬৪.২ আৰু ১৯৫৪ চনত মতামানুহৰ ৬৭.৪ আৰু তিৰোতাৰ ৭৩.৬ বছৰ।

মানুহৰ অতীতবুৰঞ্জী :— মানুহৰ অতীত বুৰঞ্জী

জীৱাশ্মবোৰ (Fossils) অধ্যয়নৰ পৰাই জানিব পৰা গৈছে।

জীৱাশ্ম আৰু ইয়াৰ তথ্যসমূহ:— যোৱা শতিকাত হৈ যোৱা জীৱাশ্মৰ পৰীক্ষা সমূহে মানুহ সম্বন্ধে বহুতো তথ্যপাতিৰ সন্ধান দিছে। এই তথ্যপাতি সমূহৰ পৰা পোৱা প্ৰমাণ সমূহৰ পৰা কব পাৰি যে 'প্লেইস্টোচিন' (Pleistocene) যুগত মানুহৰ প্ৰথম আৱিৰ্ভাৱ হয়। জৈৱবাদৰ (Palaeontology) মতে বান্দৰ জাতীয় ক্ষুদ্ৰাকৃতিৰ জন্তুবোৰ (Primates) 'ইয়োচিন' (Eocene) যুগত উত্তৰ আমেৰিকা আৰু ইউৰোপত বিস্তৃত হৈ আছিল। প্ৰথম নেজহীন বান্দৰ (Apes)'ত লিগোচিন যুগত ওলায় (Oligocene)। ইহঁতৰ নাকৰ অংশ চুটি আৰু মগজু-খোলা ডাঙৰ আছিল। মায়োচিন্ (Miocene) আৰু প্লায়োচিন্ (Pliocene) যুগত প্ৰথম এই আদি মানৱৰ দুটা ভাগ হয়। এটা ভাগে বৰ্ত্তমান গৰিলা আৰু চিম্পাঞ্জিৰ জন্ম দিছে আৰু আনটো ভাগৰ পৰাই মানুহৰ জন্ম হয়।

বৰ্ত্তমান মানুহ (Homosapiens):— বৰ্ত্তমান মানুহৰ (Homosapiens) সম্পূৰ্ণ বিকাশ প্ৰত্ন প্ৰস্তৰ যুগতেই দেখা যায়। কিন্তু প্ৰত্ন প্ৰস্তৰ যুগৰ পিছত ইউৰোপত বহুতো পৰিবৰ্ত্তন দেখা যায়। নতুন মানুহবোৰ (বহল আৰু সৰু মূৰৰ) দক্ষিণাংশৰ পৰাই আহিবলৈ ধৰে। এই যুগৰ মানুহে উন্নত ধৰণৰ সা-সজুলি ব্যৱহাৰ কৰিছিল। নাও সাজিবৰ কাৰণে দা কুঠাৰ, খুন্দনাশিল, মাটিৰপাত্ৰ আৰু কৃষি কৰাৰো সন্ধান পোৱা গৈছে।

নৱপ্ৰস্তৰ যুগত মানুহে শিল আৰু মাটিৰ পাত্ৰবোৰত ৰঙ সানিছিল, কাপোৰ বব জানিছিল আৰু খাদ্য উৎপাদন কৰিব পাৰিছিল। সেইযুগত ইউৰোপত দক্ষিণে ভূমধ্যসাগৰীয় মানুহবোৰ (সৰু মূৰৰ), পূব আৰু মধ্যাংশত আল্পচবাসী সকল (বহলমূৰৰ) আৰু উত্তৰে সৰু মূৰৰ দীৰ্ঘদেহী অধিবাসী সকল লগ-হৈ-আহিল। এই সংমিশ্ৰণৰ পৰাই বৰ্ত্তমান অধিবাসী-সকলৰ উৎপত্তি হৈছে। তাৰপিছত আহিল তাম্ৰযুগ, পিতলযুগ- আৰু লোহযুগ। এইদৰে ভূমধ্য সাগৰীয় অঞ্চলত পুৰণি-সভ্যতাৰ বিকাশ হবলৈ ধৰে আৰু আজি-আহি পৰিছে তীখা আৰু প্লাষ্টিকৰ যুগত।

মধ্যএচিয়াৰ সেইসময়ৰ অধিবাসীসকল বিভিন্ন -ঠাইলৈ গতি কৰিবলৈ ধৰিলে। প্ৰধানকৈ পশ্চিম-ফালেই ইয়াৰ সোঁত বেছিআছিল। তাৰে কোনো দলে পূবৰ ফাললৈ আহিল। বুৰঞ্জীৰ সময়তো সেই সোঁত পৰিলক্ষিত- হৈছিল, কিন্তু এইতথ্যবোৰ বেছি পুৰণি নহয়। এচিয়াৰ উত্তৰ-পূবভাগত যেনে চীন, ব্ৰহ্ম, জাপান আদি দেশত মাঙ্গোলীয় অধিবাসীৰ সংখ্যাই বেচি।

আমেৰিকাত প্ৰথম মানুহৰ আবিৰ্ভাৱ কেতিয়া হয় জনা নেযায়। পশ্চিমবাসী সকলৰ গঠন আৰু ভাষাৰ পুৰণি পৃথিৱীবাসীসকলৰ লগত বহুতো অমিল আছে। 'আমেৰিকাবাসী-ভাৰতীয়' সকলৰ (American Indians) পূবএচিয়াবাসী সকলৰ লগত মিল আছে। এই সম্বন্ধে বহুতো তথ্য পোৱা হৈছে। শীতকালত এচিয়া আৰু আলস্কাৰ মাজভাগ কেতিয়াবা বৰফপিণ্ডই সংলগ্ন কৰে। এইদৰেই এইসোঁত আমেৰিকালৈ বৈ গৈছিল বুলি বহুতে কয়।

মানৱ সভ্যতাৰ ভবিষ্যত:— যান্ত্ৰিক যুগৰ প্ৰৱৰ্ত্তন মানৱ সভ্যতাৰ এটা বলিষ্ঠ পদক্ষেপ। মানুহৰ প্ৰতিটো ক্ষেত্ৰতেই আজি যন্ত্ৰই বিশেষ স্থান

অধিকাৰ কৰিছে। কৃষি, পানীযোগান, শস্যৰোপন, বৃহৎ মহানগৰী নিৰ্মান আদি যন্ত্ৰৰ দ্বাৰাই সম্ভৱ হৈছে। চিকিৎসা বিদ্যাৰো বহুতো উন্নতি হৈছে।

এফালে যদিও সভ্যতাই চৰম মূহুৰ্ত্ত পাইছেগৈ আনফালে মানৱ জাতিৰ অপকাৰো হব ধৰিছে। উচ্চ অঞ্চলৰ ক্ষয়ৰ ফলত মাটিৰ উৰ্ব্বৰ শক্তি হ্ৰাস হৈ গৈছে। বহিৰ্বাণিজ্যই কৃষি আৰু মানুহৰ বেমাৰৰ বীজানু ইখন দেশৰপৰা সিখন দেশলৈ বিয়পাই দিছে। আধুনিক চিকিৎসা বিদ্যাৰ কিছুমান বিশেষ ক্ৰিয়াজনিত ঔষধ প্ৰকৃতিবাচনি অনুসাৰে (According to Natural Selection) কম ক্ষমতা সম্পন্ন লোক সকলৰ বহুতো অপকাৰ কৰিছে। এই লোকসকলৰ পিছৰ বংশবোৰ একেবাৰে অকৰ্মণ্য হৈ পৰাৰ সম্ভাৱনাই বেছি। যুদ্ধ বিগ্ৰহ আদিৰ যোগেদি, এটমবোমা, হাইড্ৰোজেন বোমা আদিৰ ক্ৰিয়াই মানুহৰ বংশগতিৰ *(Heredity)* ওপৰত আঘাট হানিছে। আধুনিক কৃত্ৰিম বংশগতিৰ চিকিৎসাৰ এতিয়া আৰম্ভহে, প্ৰকৃত ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ হবলৈ এতিয়াও বহুত বাকী। সৰ্ব্বশেষত মানুহৰ ভৱিষ্যত সম্বন্ধে এযাৰ কথাই কব পাৰি—মানৱ সভ্যতাই পিছৰবংশবোৰক নিজকে মানুহবুলি চিনাকী কৰি দিব পৰাটোৱেই হব আটাইতকৈ ডাঙৰ কথা।

—×—



# : ট্ৰেজেডি : এটি সংজ্ঞা

শ্ৰীমদন মোহন মহন্ত

৩য় বাৰ্ষিক কলা

আত্ম দ্বন্দত জৰ্জ্জৰিত হোৱা মানুহৰ করুণ কাহিনীকে ট্ৰেজেডি বুলিব পাৰি। চেক্সপীয়েৰৰ ট্ৰেজেডিত সাধাৰণতে বিশিষ্ট উচ্চপদস্থ লোকৰ জীৱন আপোন চাৰিত্ৰিক খুঁতৰ বাবে ব্যৰ্থতাৰ অভিশাপেৰে অশ্ৰুময় হৈ উঠে। মৃত্যুত এই দুখৰ পৰিণতি দেখুওৱা হয়। ইবচেনে দেখুৱালে মানুহৰ জীৱদ্দশাতে ট্ৰেজেডিৰ সৃষ্টি হব পাৰে। ইয়াৰ কাৰণ দ্বন্দ, অন্তৰ্দ্বন্দ আৰু বহিৰ্দ্বন্দৰ দ্বাৰা ক্ষতবিক্ষত হোৱা অৱস্থাৰ সৃষ্টি কৰাতোহে ট্ৰেজেডিৰ লক্ষ্য, মৃত্যু অপ্ৰয়োজনীয়। নেমেচিচৰ (Nemesis) ধাৰণাৰে গ্ৰীক ট্ৰেজেডি আৰম্ভ হৈছিল।

ট্ৰেজেডি হল মহৎ ব্যক্তিৰ ব্যক্তিত্ব তথা আত্ম বিনাশৰ হৃদয় বিদাৰক করুণ চিত্ৰ। ট্ৰেজেডিৰ বীজ অদৃশ্য ভাৱে চিনাকী আকাশ আৰু পৃথিবীৰ ধূলি, বালি, বতাহ আৰু পানীৰ লগত উৰি ফুৰে। ইয়াৰ কেন্দ্ৰস্থান প্ৰধান ভাবে ধন, জন, মান, গৌৰৱ, ভয়, আশা, প্ৰেম, কাম, ক্ৰোধ লোভ, মোহ আদি। যেতিয়া কেন্দ্ৰস্থানত অত্যাচাৰ বাঢ়ে তৎমুহূৰ্ত্তে বীজ অঙ্কুৰিত হয় আৰু ধীৰে ধীৰে সৰ্ব্বগ্ৰাসী ৰূপ ধাৰণ কৰে। অসতৰ্ক মুহূৰ্ত্তত মানুহে ট্ৰেজেডিৰ বীজ পান কৰা নাটি

সাহিত্যত পোৱা যায়। প্ৰেয় লাভৰ বাবে মানুহে হেলাৰঙে শ্ৰেয়কো ত্যাগ কৰিবলৈ কুণ্ঠিত নহয়। সদৌ শেহত প্ৰেয় শ্ৰেয় উভয়কে হেৰুৱাই দিক-শূন্য হাঁহাকাৰৰ মাজত দেহ ত্যাগ কৰে। গতিকে নিঃসন্দেহে কব পাৰি ট্ৰেজেডি ব্যক্তিকেন্দ্ৰিক বা আত্মকেন্দ্ৰিক।

পৃথিৱীৰ নাটঘৰলৈ চালে দেখা যায় প্ৰাচীন গ্ৰীক নাটবাজিয়ে ট্ৰেজেডিৰ প্ৰাপ্য প্ৰথম স্থান অধিকাৰ কৰিছে। গ্ৰীক সকলে নিয়তিৰ দুৰ্বাৰ কবলৰ পৰা পুৰুষকাৰক মুক্ত কৰিব পৰা নাছিল। সততে তেওঁলোকে পুৰুষকাৰক নিয়তিৰ হাতত লাঞ্ছনাৰে শোচনীয় পৰাজয় দেখুৱাই আত্ম-তুষ্টি লাভ কৰিছিল। নিয়তি ব' দৈৱশক্তিয়ে মানৱক প্ৰৰোচিত কৰি বিশৃঙ্খল অন্তৰ্দ্বন্দ্বৰ মাজত পেলাই সীমাহীন মনোৰাজ্যত জুই জ্বলাই অথিৰ অবিৰ কৰি ধীৰে ধীৰে মৃত্যুত পৰিণতি ঘটায়।

ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই নিয়তিৰ এই ৰূপ কেইবাটাও বুলি কৈছে। তেখেতৰ মতে—"কেতিয়াবা অৰেকল (Oracle) ভবিষ্যদ্বাণী ৰূপে; কেতিয়াবা প্ৰতিকাৰ প্ৰতিশোধ দিওঁতা আৰু অতি-মাত্ৰা সহ্য কৰিব নোৱাৰা নেমেচিচ্ (Nemesis) ৰূপে; কেতিয়াবা দ্ব্যৰ্থক ব্যঙ্গোক্তিৰ (Irony,-double meaning) যোগেদি আৰু কেতিয়াবা পাত্ৰৰ উপযোগিতা নেচাই--অন্ধৰূপে শুভাশুভ দান কৰোতা ভাগ্যদেৱী ৰূপে নিয়তিৰ প্ৰভাৱ প্ৰদৰ্শন কৰা হৈছে। এই বিভিন্ন ৰূপত নিয়তিৰ বিৰুদ্ধে গ্ৰীক্ ট্ৰেজেডিৰ চৰিত্ৰই যুদ্ধ কৰিব লগাত পৰিছে।"

কিন্তু গ্ৰীক সমালোচক এৰিষ্টোটলৰ সংজ্ঞাই নিয়তিৰ ক্ৰূৰ হাঁহিৰ পৰা ট্ৰেজেডিৰ নায়কক মুক্ত কৰি চৰিত্ৰতহে ট্ৰেজেডিৰ বিষাক্ত পোচাক পিন্ধাই দিলে। সেইবাবে ছেক্সপীয়েৰৰ নাটত নিয়তিৰ দুৰ্বাৰ প্ৰভাৱ বহু পৰিমাণে হ্ৰাস পালে। কিন্তু সম্পূৰ্ণ লোপ নহল।

ট্ৰেজেডিত বেদনাৰ সৃষ্টি কৰা হয় মমতাহীন আঘাতৰ মাজেদি। মানসিক আঘাত নীৰৱ বেদনাৰ উৎস। যিহেতু ট্ৰেজেডিৰ নায়কৰ জীৱন বেদনা আৰু আঘাতৰ সঙ্গমস্থলী গতিকে ই করুণাত্মক; করুণ ৰসযুক্ত। কিন্তু এই করুণ ৰসৰ আবেদন হব লাগিব গাম্ভীৰ্য্যপূৰ্ণ (Serious) আৰু মহৎ। আকৌ ট্ৰেজেডি নাটকৰ দৰ্শক বৃন্দক পৰিপূৰ্ণ ভাৱৰ মাজেৰে ভাৱ সাগৰৰ গভীৰতমলৈ উটুৱাই নিব লাগিব। দৃষ্টিত সঞ্চাৰী আৰু ব্যাভিচাৰী ভাৱৰ স্থান থাকিলেও প্ৰধানকৈ থাকিব লাগিব ভীতি আৰু করুণা (Pity and Terror), বীৰত্ব আৰু মহত্বব্যঞ্জক গাম্ভীৰ্য্য, সাৰ্ব্বজনীনতা, জীৱনৰ ব্যৰ্থতা আৰু অসহায়তা আৰু কাব্যিক সম্পদ। ট্ৰেজেডিত কাব্য-গন্ধী ভাষাৰ প্ৰয়োজনীয়তা নাই বুলি কলে ভুল হব। নিশ্চয় আছে। কবিতা-গন্ধী ভাষাই বিষাদঘন পৰিৱেশ সৃষ্টি কৰাত বিশেষ ভাৱে সহায় কৰে। নাট্য সমালোচক সকলেও ট্ৰেজেডিত কাব্য-গন্ধী ভাষাৰ আৱশ্যকতা স্বীকাৰ কৰিছে—"In every tragedy, passions and emotions of characters are endowed with a favour such as are meet in lyrical poetry, and a fitting medium is provided for an eloquent expression of those ardent feelings in the shape

of a sickly musical language" (Tragic Relief: P. K. Guha)
এইবোৰ উচ্চ ট্ৰেজেডিৰ বা Classical গাম্ভীৰ্য্য-পূৰ্ণ ট্ৰেজেডিৰ প্ৰধান লক্ষণ।

প্ৰকৃততে ট্ৰেজেডি শব্দৰ ৰূপান্তৰ, অৰ্থান্তৰ বা প্ৰকৃত অৰ্থ প্ৰকাশক শব্দ নাই বুলি কলেও সত্যৰ অপলাপ নহয়। ৰূপান্তৰ কৰিবলৈ গলে বিকৃত হোৱাৰ ভয় বেছি। অৱশ্যে এটা সুৰত কব পৰা যায় যে "ট্ৰেজেডি" হল "ভয়ানক ৰসযুক্ত কৰুণ ৰসৰ বিয়োগান্ত নাট।"

বুদ্ধিবাদী গ্ৰীক সমালোচক এৰিষ্টোটলৰ সংজ্ঞানুসাৰে "ট্ৰেজেডি' হল জীৱনৰ ক্ষয়শীল আৰু ক্ৰিয়াশীল ৰূপ। স্ব-দৃষ্টিৰে চালে দেখা যায় 'ট্ৰেজেডি ঘটনাত্মক, বৰ্ণনাত্মক হব নোৱাৰে। মানৱ জাতিৰ বিচিত্ৰ চৰিত্ৰই "ঘাত—প্ৰতিঘাত আৰু সংঘাতৰ মাজেৰে ঘটনাক্ৰমে সমুদ্ৰগামী নৈৰ দৰে উপসংহাৰৰ ফালে আগ বাঢ়ে। এয়ে ট্ৰেজেডিৰ ধৰ্ম্ম।"

আগতে উল্লেখ কৰিছো যে ভয়ানক ৰসযুক্ত কৰুণ ৰসৰ বিয়োগান্ত নাটেই হল ট্ৰেজেডি (Tragedy)। ট্ৰেজেডি কৰুণ ৰসযুক্ত যদিও ইয়াৰ উদ্দেশ্য কিন্তু দৰ্শকক আনন্দ দিয়া। দিনান্তত ভাগৰুৱা দেহ লৈ যেতিয়া দৰ্শকসকলে প্ৰেক্ষাগৃহত প্ৰৱেশ কৰে মনৰ বেহা কৰিবলৈ, তেতিয়া বিয়োগান্ত নাটকৰ নায়কৰ দুখ দেখি হয়তো চকুলো টোকে; কিন্তু এই চকুলোৰ আঁৰত তেওঁবিলাকৰ অবচেতন মনত থাকে আনন্দৰ ফল্গু-ধাৰা। এৰিষ্টোটলৰ ভাষাত এয়ে Cathersis বা ভাৱমোক্ষণ। ট্ৰেজেডিৰ এই ভাৱমোক্ষণ গভীৰতম; আৰু সুক্ষ্মতম।

শেষত ট্ৰেজেডিৰ নায়ক বা নায়িকাৰ কথা অলপ উল্লেখ কৰাৰ প্ৰয়োজন। কাৰণ নায়ক বা নায়িকাৰ জীৱনৰ মাজতেই ট্ৰেজেডিৰ সুপ্ত বীজ অঙ্কুৰিত হয় আৰু সিয়েই নায়ক নায়িকাক চৰম মৃত্যুমুখলৈ আগবঢ়ায়। নায়ক বা নায়িকা জীৱনত প্ৰভূত যশৰ অধিকাৰী হব পাৰে, ধনী মানী ক্ষমতাশালী ঐশ্বৰ্য্যশালী হব পাৰে; কিন্তু চৰিত্ৰৰ এঠাইত নহয় এঠাইত এটা দুৰ্ব্বলতা লুকাই থাকে। এই দুৰ্ব্বলতাৰ সুৰুঙাৰে শনি-কলি একেলগে প্ৰৱেশ কৰে আৰু দৃষ্টি ভঙ্গীত ধুমুহাৰ সৃষ্টি কৰি উজ্জ্বল নীলাকাশ মেঘাচ্ছন্ন কৰি পেলায় আৰু এটি মুহূৰ্ত্তত জীৱন-যৱনিকাৰ আঁৰ কাপোৰ টানি দিয়ে।

---

# সাগৰ দেখিলোঁ

শিক্ষামূলক ভ্ৰমণ-কাহিনী

শ্ৰীশৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
তৃতীয় বাৰ্ষিক (বিজ্ঞান) আৰ্য্যবিদ্যাপীঠ কলেজ

শিক্ষামূলক ভ্ৰমণ (Excursion) ছাত্ৰজীৱনৰ অপৰিহাৰ্য্য অঙ্গ। পাৰিতপক্ষে এনে ভ্ৰমণত অংশ ল'ব পৰাটো লাভজনক। প্ৰতিবাৰৰ দৰেই (১৯৬৯ চনত) আমাৰ কলেজৰ বিভিন্ন বিভাগৰ পৰা কিছুমান দল শিক্ষামূলক ভ্ৰমণৰ বাবে ওলাইছিল। প্ৰাণীবিদ্যা বিভাগৰ তৰফৰ পৰা আয়োজন কৰা এনে এটি ভ্ৰমণত মই অনাৰ্ছৰ ছাত্ৰ হিচাবে অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাইছিলো। এনে সুবৰ্ণ সুযোগ সতকাই পোৱা টান। তদুপৰি সৰুৰে পৰা মোৰ ভ্ৰমণৰ প্ৰতি এটি হেঁপাহ আছিল। সেয়ে এই সুযোগ গ্ৰহণ কৰিলো।

আমাৰ বিভাগৰ তৰফৰ পৰা ভ্ৰমণৰ বাবে দক্ষিণভাৰতৰ কেইখনমান উল্লেখযোগ্য ঠাই বছা হৈছিল। তাৰ ভিতৰত উত্তৰ ভাৰতৰ লক্ষ্ণৌ চহৰখনো পৰিছিল। আনকেইখন ঠাই হ'ল ক্ৰমে—বোম্বাই, বাঙ্গালোৰ, মহীশূৰ, ত্ৰিচিন পল্লী, মাদ্ৰাজ, পাম্বাম, ৰামেশ্বৰম, আৰু কলিকতা

প্ৰাণীবিদ্যাৰ ছাত্ৰহিচাবে আমাৰ ভ্ৰমণৰ মূল উদ্দেশ্য আছিল— সাগৰৰ উপকূল চোৱা আৰু বিভিন্ন তৰহৰ সাগৰীয় মাছৰ লগত চা-চিনাকি হোৱা। তদুপৰি বিভিন্ন ঠাইত থকা চিৰিয়াখানা

আৰু যাদুঘৰ চোৱাটোও আমাৰ প্ৰধান উদ্দেশ্য আছিল। বিজ্ঞানৰ জ্ঞান অকল পুথিগত বিদ্যাই দিব নোৱাৰে। তাৰ বাবে ব্যৱহাৰিক জ্ঞানৰ প্ৰয়োজন। শিক্ষামূলক ভ্ৰমণে এই ক্ষেত্ৰত অপৰিসীম সহায় কৰে।

এই ভ্ৰমণৰ আনন্দ সহজে পাহৰা টান।

আমাৰ যাত্ৰাৰ আৰম্ভণি:

আগতেই ঠিক কৰা মতে ১৯৬৯ চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখে আমাৰ বাইশজনীয়া দলটো লখনৌ এক্সপ্ৰেছত উঠিলোঁ। এই দলটো পৰিচালনা কৰিছিল আমাৰ কলেজৰে অধ্যাপক শ্ৰীযুত লোহিতচন্দ্ৰ ভৰালীদেৱে। ৰাতি চাৰে ন মান বজাত ৰেল এৰিলে। ৰিজাৰ্ভ ডবা বাবে আমাৰ বিশেষ অসুবিধা হোৱা নাছিল। কিন্তু, ভ্ৰমণৰ প্ৰথম ৰাতিৰ বাবেই ঘৰৰ বিছনাখনলৈ হলে বৰকৈ মনত পৰিছিল।

লক্ষ্ণৌত :

দুদিন দুৰাতি ৰেলতেই কটোৱাৰ মূৰত ২১ তাৰিখৰ দিনা সন্ধিয়া আমি লক্ষ্ণৌ ষ্টেচনত ভৰি দিলোহি। যাত্ৰাৰ ভাগৰে চকুৰ পতা জপাই নিছিল। সেয়ে ৰেলৰ পৰা নামিয়েই হোটেল বিচৰা হ'ল। 'মোহন' হোটেলত সোনকালেই আমি থকাৰ বন্দোৱস্ত কৰিলো।

পিছদিনাই টুৰিষ্ট বাছত আমি লক্ষ্ণৌৰ বিভিন্ন ঠাই ফুৰাৰ বাবে ওলালোঁ আৰু পুৰা আঠমান বজাত আমি যাত্ৰা কৰিলো। আমাৰ লগতে কটন কলেজৰ দল এটিও আহিছিল। তেওঁলোকেও একেখন বাছতে লখনৌত ফুৰিবলৈ সাজু হৈছিল। পোনেই বাছ চলিছিল—চিৰিয়াখানা অভিমুখে। বাটত যাওঁতে দেখিছিলো,— লক্ষ্ণৌ চহৰৰ বহল আলিবাটত গুৱাহাটীৰ দৰেই মানুহৰ সমাগম আৰু প্ৰকাণ্ড ঘোঁৰাৰে টনা 'টাঙ্গা' বোৰৰ অহাযোৱা। ঘোঁৰাবোৰৰ উচ্চতা দেখি ভাল লাগিল। বুটিছযুগৰ দালানবোৰ বুকুত লৈ থকা লক্ষ্ণৌ চহৰখন আমাৰ গুৱাহাটীতকৈ বহুতো গুণে পৰিষ্কাৰ বুলি ধাৰণা হ'ল।

লক্ষ্ণৌ চিৰিয়াখানাৰ পৰিবেশ চকুত লগা। ইয়াত বিভিন্ন ধৰণৰ হৰিণা, চৰাই, পেলিকান চৰাই, বাদাম খোৱা ক্ৰাউন ক্ৰেন (Crown-crane) মগা ভালুক, ভাৰতীয় ডাঙৰ জাতৰ কেৰ্কেটুৱা (Indian giant squirrel) ইত্যাদি দেখিলো। বিভিন্ন ধৰণৰ চৰাইৰ সমাবেশ ইয়াত মন কৰিব লগীয়া। সৰীসৃপ জাতীয় প্ৰাণীবোৰো ইয়াৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য।

চিৰিয়াখানা চোৱাৰ পিছত আমি লক্ষ্ণৌৰ আন এটি উল্লেখযোগ্য বস্তু চাবলৈ গৈছিলো। সেইটো হ'ল—একোৱাৰিয়াম (Aquarium)। একোৱাৰিয়াম'ক আমাৰ ভাষাত বিভিন্ন জলচৰ প্ৰাণীৰ সংগ্ৰহালয় বুলি ক'ব পাৰি। লক্ষ্ণৌ 'একোৱাৰিয়াম'ত দেখা প্ৰায় বোৰ প্ৰাণীকে আমি বোম্বাইৰ বিখ্যাত 'একোৱাৰিয়াম'ত দেখিবলৈ পাইছিলোঁ।

ইয়াৰ পিছতে টুৰিষ্ট বাছখনে আমাক কঢ়িয়াই আনিছিল—লক্ষ্ণৌৰ কেতবোৰ আটকধুনীয়া আৰু স্মৰণযোগ্য বস্তু চোৱাৰ বাবে। সেইবোৰৰ ভিতৰত ক্ৰমে, চাহ নাজাফ (Sah najaf) বড়া আৰু "চোটা ইমাম্বাৰা", আকৰ্ষণীয় পৃথিৱীৰ গোলক (World-globe) ইত্যাদিয়েই প্ৰধান। এইবোৰৰ ভিতৰত ইমাম্বাৰাৰ চমকলগা নিৰ্মাণ

কৌশলে বাক্তকয়ে মুগ্ধ কৰিছিল। শত্ৰুক বাধা দিয়াৰ বাবে ইয়াত প্ৰয়োগ কৰা নিৰ্ম্মাণ-কৌশলে মোগল যুগৰ কলা কৌশল আৰু কাৰিকৰৰ নৈপুণ্যৰ কথা সহজেই মনত পেলাই দিয়ে। ইয়াৰ ওপৰ মহলাত এনেধৰণৰ কিছুমান খাঁজ ৰখা হৈছে যে সেইবোৰৰ পৰা সহজেই ইমামবাৰাৰ প্ৰবেশ তোৰণখন চকত পৰে। এই খাজবোৰৰ পৰা নিজকে আঁৰকৈ ৰাখি শত্ৰুৰ ওপৰত গুলীবৰ্ষণ কৰিব পৰা ব্যৱস্থা আছে। শত্ৰুক বাধা দিবৰ বাবে ভিতৰ ভাগৰ নিৰ্ম্মাণ কাৰ্য্যও অপূৰ্ব্ব। বেৰৰ গাত থকা খোৰাঙৰ দৰে খাজবোৰত লকাই থাকি সেনাবোৰে সমুখৰ সুৰঙ্গইদি অহা শত্ৰুৰ ওপৰত সহজেই জপিয়াই পৰিব পাৰিছিল। ইয়াৰ উপৰিও বেৰত মুখ লগাই এজনে কথা কলে দূৰৈত কাণ পাতি আন এজনে শুনিব পৰা ব্যৱস্থাৰে ইমামবাৰাৰ বেৰবোৰ নিৰ্ম্মাণ কৰা হৈছে। ইও অপূৰ্ব্ব যুক্ত কৌশলৰে পৰিচায়ক।

লখনৌত গোটেই দিনটো কটাই আমি হোটেলৈল উঠিলোঁ। পিচদিনাই বোম্বাইলৈ যোৱাৰ কথা। সেইবাবে পিচদিনা নিচেই পুৱাতে ৰেল ধৰাৰ সুবিধাৰ বাবে আমি ষ্টেচনলৈ আহিলোঁ। টিলি— টোপোলাৰে সেই ৰাতি প্লেটফৰ্ম্মতেই কটাবলগীয়া হ'ল।

পিচদিনা পুৱা আমি সাতমান বজাত লখনৌ এৰিলো। লখনৌত বৰ-বেয়া লগা নাছিল। আমি আহাৰ খোৱা দোকানখনৰ দোকানীজন বৰ ৰসিক আছিল। নাকৰ তলতে থকা মহ-শিঙীয়া গোঁফেৰে হৈসতে মিচিকিয়া হাঁহিটি মাৰি তেওঁ আমাৰ মন সহজেই জয় কৰিব পাৰিছিল।

বোম্বাইত:— সম্পূৰ্ণ এদিন-এবেলাৰ যাত্ৰাৰ মূৰত আমি বোম্বাইত উপস্থিত হলোহি। বাটত আহোঁতে ওৰে বাটে দেখিছিলোঁ কেৱল মাকৈ জোৱাৰ আৰু ঘেঁহুৰ খেতি। মধ্যপ্ৰদেশৰ খেতিয়ক সকলৰ শুকান মাটিত লহপহীয়া খেতি কৰাৰ প্ৰয়াস দেখি ভাল লাগিল। তেওঁলোক আমাৰ খেতিয়কতকৈ কাজুৱা যেন লাগিল। বৰষুনৰ অভাৱত ইয়াৰ গছ-গছনিবোৰ মুজুৰা পৰা; অসমৰ গছ-লতাৰ দৰে সতেজ নহয়।

বোম্বাইৰ ষ্টেচনত ভৰি দিয়েই মনত এটি নতুন আনন্দই দেখা দিলে। সেই আনন্দ হ'ল সাগৰৰ পাৰৰ এই মহানগৰীখন চোৱাৰ আশাই আনা আনন্দ। দেহত আটাইৰে ভাগৰ লাগিছিল। কিন্তু মনত হলে উচাহৰ অভাৱ হোৱা নাছিল।

বোম্বাইত আমাৰ ধৰমশালাত থকা ঠিক হৈছিল। প্ৰকাণ্ড ঘোঁৰাই টনা টাঙাত উঠি আমি ধৰমশালালৈ আহিলোঁ। গধূলি হোৱা বাবে সেই দিনা আৰু কলৈকো ওলোৱা নহ'ল।

পিচদিনা পুৱাই আমি বোম্বাইত ফুৰাৰ বাবে সাজু হ'লো। আমি চাৰৰ লগ এৰি চাৰি-পাঁচ জন মান লৰা গোট খাই একেলগে ফুৰাৰ মান-সেৰে ওলালো। প্ৰথমেই আমি টেক্সীৰে আহিলো "মেৰাইন ড্ৰাইভ"লৈ। জীৱনত প্ৰথম বাৰৰ বাবে সাগৰ দেখি বিস্মিত হলোঁ। পাৰাপাৰহীন নীলা জলৰাশিয়ে যেন পৃথিৱীতে দ্বিতীয় এখন আকাশৰ সৃষ্টি কৰিছে। এজন ইউৰোপীয়ানে সাগৰৰ পাৰৰ শিলনিত বহি একান্তমনে কিতাপ পঢ়ি থকা দেখিছিলোঁ। তাৰ পিছতে আহিলোঁ "গেটৱে অৱ্ ইণ্ডিয়া"লৈ ( Gateway ot India ) সেইখিনি আলি কেইটামানৰ মিলন স্থলত স্তম্ভ এটাৰ

ওপৰত হাতত খোলা-তৰোৱাল লৈ সাগৰ মুৱাকৈ ঘোঁৰাৰ ওপৰত উঠি শিৱাজীৰ মূৰ্ত্তি এটা আছে। সাগৰ মুৱাকৈ থাকি এই মূৰ্ত্তিয়ে যেন শত্ৰুৰ বিৰুদ্ধে বিজয় ঘোষণা কৰিছে।

ইয়াৰ পিছত "কমলা নেহৰু পাৰ্ক" আৰু "হেংগিং পাৰ্ক" চাই আহি আমি পুনৰ চাৰৰ লগ ললোঁহি। দুপৰীয়া আকৌ দলে বলে গ'লো বোম্বাইৰ বিখ্যাত "একোৱাৰিয়াম" চাবলৈ। বোম্বাইৰ "একোৱাৰিয়াম" ভাৰতৰ ভিতৰতে সৰ্ব্বোৎকৃষ্ট। ইয়াত বিভিন্ন ধৰণৰ জলচৰ প্ৰাণী সুন্দৰ পৰিবেশত সংৰক্ষণ কৰা হৈছে। সেইবোৰৰ শাৰীৰিক গঠন আৰু ৰং বিৰঙে সহজেই দৰ্শকৰ মন প্ৰলুব্ধ কৰিব পাৰে। "গল্ড ফিছ" (Gold fish), 'মেৰাইন কেট ফিছ' (Marine cat fish), "স্কুইৰেল ফিচ" (Squirel fish), 'ইলেক্ট্ৰিকৰে' (Torpedo-scientific name) আদি বিভিন্ন ধৰণৰ মাছৰ লগতে দেখিলেই ভয়লগা অথচ সুন্দৰ ফটুকা ফটকী কুচিয়ামাছও (Congoeel) দেখিলো। "Sucker fish" বোলা এবিধ মাছে শাৰ্ক (এবিধ সাগৰীয় মাছ)ৰ নিম্নাংশত থাকি কেনেকৈ আহাৰ শোষণ কৰে তাকো বোম্বাইৰ একোৱাৰিয়ামত ভালদৰে দেখুওৱা হৈছে। প্ৰাণীবিদ্যাৰ ছাত্ৰ সকল বোম্বাইৰ 'একোৱাৰিয়াম'ৰ পৰা যে বিশেষভাৱে উপকৃত হ'ব তাত সন্দেহ নাই।

এটি বিশেষ আকৰ্ষণ

বোম্বাইৰ "একোৱাৰিয়ামত" "কোৰাণ ফিছ" (Koran Fish) নামৰ এবিধ বহল ফিছা থকা মাছ দেখিবলৈ পাইছিলোঁ। গাইডৰ পৰা জানিব পাৰিলোঁ যে-মাছটোৰ ফিছাত ঠিক 'কোৰাণ' শব্দৰ দৰেই লিখা দাগ থকা বাবেই তাক "কোৰাণ ফিছ" বোলা হৈছে। ই আমাৰ বাবে এটি বিশেষ আকৰ্ষণৰ বস্তু আছিল।

ইয়াৰ বাহিৰেও 'বোম্বাইৰ "একোৱাৰিয়াম'ত আমি 'চিংৰছ' (সাগৰীয় মাছ) দেখিবলৈ পাইছিলোঁ।

ইয়াৰ পিছদিনা আমি দলে বলে ওলালো এলিফেণ্টালৈ বুলি। এলিফেণ্টা সাগৰৰ মাজৰ এটি শিলৰ গুহা। ব্ৰহ্মপুত্ৰৰ বুকুত উমানন্দৰ দৰেই ইও সাগৰৰ মাজত এটা টিলা যেন হৈ ঠিয় দি আছে। 'গেট ৱে অব্ ইণ্ডিয়া'ৰ পৰা এঘণ্টাৰ বাট।

এই গুহাটো অষ্টম শতিকাৰ সময়ত সৃষ্টি কোৱা। এসময়ত এই ঠাইত থকা এটা বৃহৎ হাতীৰ মূৰ্ত্তিৰ কাৰণেই এই গুহাৰ নামো এলিফেণ্টা হোৱা বুলি কোৱা হয়। পৰ্ত্তুগীজ সকলে যুদ্ধত ব্যৱহাৰ কৰি এই গুহাৰ শিলৰ দেৱ বোৰৰ যথেষ্ট অনিষ্ট সাধন কৰে। ইয়াৰ শিলৰ দেৱবোৰত বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তি কটা আছে। এঠাইত এটা শিৱৰ ত্ৰিমূৰ্ত্তি আছে। গাইডৰ পৰা বুজিছিলো—সেই মূৰ কেইটাৰ তিনিটি অৰ্থ আছে। সেয়ে হ'ল ক্ৰমে সৃষ্টি, পালন আৰু সংহাৰ (Creation, Preservation and destroy).

এলিফেণ্টাৰ পৰা উলটি আহি আমি যাবলৈ ওলালো জুহুবীচলৈ। এইবাৰ আমি পাঁচজন ল'ৰা গোট খাই যাত্ৰা আৰম্ভ কৰিলোঁ।

চন্দ্ৰ যাত্ৰী সকলক দেখিলোঁ

জুহুবীচলৈ বুলি গৈ থাকোতেই হঠাতে টেক্সীৱালাই আমাক ক'লে যে- সেইদিনা কিছুসময়ৰ পিছতেই চন্দ্ৰযাত্ৰী নীল আৰ্মষ্ট্ৰং, এডুইন এলড্ৰিন

আৰু মাইকেল কলিন্ছ—এই কেইজন অভাৰ কথা। আমাৰ মন তেওঁলোকক চোৱাৰ বাবে উদ্গ্ৰীৱ হৈ পৰিল। টেক্সীৱালাইয়ো আগ্ৰহ প্ৰকাশ কৰিলে। সাতে-সোতৰে পোনেই আমি নামিলোহি "শান্তা ক্ৰুজ" বিমান বন্দৰত। তেতিয়াও আলিৰ দাঁতিত দুশাৰী জনতাই তেওঁলোকলৈ প্ৰতীক্ষা কৰিছিল। ৰাইজৰ ভীৰ নিয়ন্ত্ৰণ কৰিবলৈ পুলিচো দিছে। অৱশেষত ঠিক সময়ক তেওঁলোক আহিল। হাত-জোকাৰি জনতাৰ অভিবাদন গ্ৰহণ কৰি খোলা গাড়ীৰে লাহে লাহে তেওঁলোক আগবাঢ়ি গ'ল।

জোনলৈ যোৱা প্ৰথম মানুহ কেইজনক দেখি সেইদিনা আমি এক স্বকীয়া আনন্দ অনুভৱ কৰিলোঁ।

ইয়াৰ পিচতে আমি ৰাওনা হলো জুহুবীচলৈ। তেতিয়া বেলি লহিয়াইছিল। জুহুবীচৰ সাগৰৰ পানীত বেলিটোৱে যেন ফাকুখেলিহে চটিয়াইছিল। বেলিৰ হেঙুলী আভাই ৰঙীন ছবি এখনৰ দৰে কৰি তুলিছিল গোটেই সাগৰ তীৰ। জোতা খুলি আমি ভৰিপাত পলুৱাই ফুৰিলো।

২৭ তাৰিখৰ দিনা ঠিক দুপৰীয়া বাৰ বজাৰ পিছতেই আমি বোম্বাই এৰাৰ বাবে সাজু হ'লো। মানুহৰ কাম কাজত নিয়মানুবৰ্ত্তিতা মানি চলা দেখি বোম্বাইখন বেচি ভাল লাগিল। অসীম ব্যস্ততাৰে ভৰা এই বৃহৎ মহানগৰখনৰ চাফ-চিকুণ পৰিবেশেও মুগ্ধ কৰিলে। কিন্তু ইয়াৰ গৰম জলবায়ু মোৰ হলে ভাল লগা নাছিল।

বোম্বাই এৰিবৰ বাবে আমি সেইদিনাখন তিনি মান বজাত ষ্টেচনলৈ আহিলো আৰু পুনালৈ যোৱা "জনতা এক্সপ্ৰেছ"ত উঠিলোহি। পুনালৈ আমাৰ যোৱাৰ কথা নাছিল। কিন্তু বাঙ্গালোৰলৈ যাবলৈ ৰেল পোৱাৰ সুবিধাৰ বাবেই আমি পুনালৈ যাব লগীয়া হ'ল।

আমি ষ্টেচনত ৰৈ থাকোতেই ভাৰতৰ অতি বেগী ৰেল "ডেকান কুইন" ( Dcccan Queen ) আহি ষ্টেচন পাইছিলহি। কাগজৰ ফটোত দেখা এই ৰেলখন স্বচক্ষে দেখি ভাল লাগিল।

পুনা ষ্টেচনত আমি এঘণ্টামানহে আছিলো। ভাগৱত চক্ৰৱৰ্ত্তী জপাই নিছিল। মোৰ লগৰীয়া নাচোৰবান্দা গকুল ভূঞাৰ উছাহত আমি কেইজনমান ল'ৰা গোট খাই 'টাঙ্গা' এখনত উঠি পুনাৰ বাটে বাটে এপাক মাৰি আহিলোঁ। সন্ধিয়াৰ নিয়ন লাইটৰ পোহৰত পুনাৰ চিকুণ ৰূপ বাৰুকৈয়ে ফুটি ওলাইছিল। লগে লগে পুনাত থকা "ফিলম্ ইন্ষ্টিটিউট"লৈ মনটো উৰা মাৰিছিল। কিন্তু, চাবৰ বাবে সময়েই বা ক'ত ?

সেইদিনা নিশাৰ ৰেলত আমি বাঙ্গালোৰ অভিমুখে ৰাওনা হলো।

বাঙ্গালোৰ আৰু মহীশূৰত :—

পিছদিনা কাহিলি পুৱাতে আমি বাঙ্গালোৰত উপনীত হ'লোহি। ইয়াৰ শীতল বতাহে গা-মন জুৰাই নিলে। অসম অসম যেন লাগিছিল। বাঙ্গালোৰৰ 'কটন পেট'ৰ "সুভাষ হোটেলত" আমাৰ থকা ঠিক হ'ল।

বিশেষ জিৰণি নোলোৱাকৈ সেইদিনা পুৱা বেলাতে আমি বাঙ্গালোৰ নগৰী চাবলৈ ওলালো। নগৰখন বৰ বেছি ডাঙৰ নহয়। বোম্বাই অথবা কলিকতাৰ তুলনাত ইয়াত ব্যস্ততাও বৰ কম। কিন্তু গুৱাহাটীতকৈ বাঙ্গালোৰ বহুতো গুণে চাফ চিকুণ। বাঙ্গালোৰৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল

ইয়াত থকা বিভিন্ন ফুলনি বাগিছাবোৰ। গুৱাহাটীত যদি ইয়াৰ আধাও থাকিলেহেঁতেন ইয়াৰ সৌন্দৰ্য্য অলপ নহয় অলপ বৃদ্ধি পালেহেঁতেন বুলি নদি ক'ব পাৰি। মাটিৰ তলেদি বাঙ্গালোৰত বিজুলী সোঁত সৰবৰাহ কৰাৰ ব্যৱস্থা আছে। বাঙ্গালোৰত অট' ৰিক্সাৰ ব্যস্ততামুখৰ অহা যোৱা দেখি ভাল লাগিল।

পিছদিনাই আমাৰ মহীশূৰ নগৰলৈ যোৱা ঠিক হল। মহীশূৰ ৰাজ্যৰ ৰাজধানী বাঙ্গালোৰ। বাঙ্গালোৰ নগৰৰ পৰা এই নগৰখন পঁচাশী মাইল মান দূৰৈত অৱস্থিত। এখন আটক ধুনীয়া মজবুত বাছত আমি পুৱাই মহীশূৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। তিনি-ঘণ্টামানৰ পিছত আমি মহীশূৰ পালোগৈ। প্ৰথমেই বাছ চলিছিল "ৰঙ্গনাথ স্বামীৰ মন্দিৰ" অভিমুখে। তাত ভগবানৰ অনন্ত শয়ন দেখিলো। তাৰ পিছতে টিপু চুলতানৰ মৃতদেহ পোৱা ঠাই ডোখৰ চালোগৈ। সেই ঠাইডোখৰ এটি সৰু পকী খুটাৰে চিহ্নিত কৰি তাত সেই কথা খোদিত কৰা আছে। টিপু চুলতানৰ গোপন আলোচনা কৰাৰ বাবে থকা প্ৰাসাদটোও দৰ্শন কৰিলো। সেই প্ৰাসাদ সুন্দৰভাবে ৰখা হৈছে। এইবোৰ চোৱাৰ মূৰত আমি পাহাৰীয়া বাটেৰে আগ বাঢ়িলো চামুণ্ডা গোসানীৰ মন্দিৰ অভিমুখে। চামুণ্ডা পাহাৰ (Samunda hill) ৰ শীৰ্ষ-স্থানত এই মন্দিৰ বিৰাজমান। তাত বাৰ/চৈধ্য ফুট মান ওখ মহিষাসুৰৰ মূৰ্ত্তিটো দেখিলো। সেই পাহাৰতেই মহাদেৱৰ বাহনৰূপে জনাজাত 'নন্দী" নামৰ বলদৰ মূৰ্ত্তিও আছে। উভতি আহোঁতে চাই আহিলো। তাৰ পিছতেই আমি ৰাওনা হলো 'ললিতা মহল" অভিমুখে। প্ৰকাণ্ড চৌহদেৰে পৰিবেষ্টিত হৈ থকা ইও এটা বিৰাট প্ৰাসাদ। কিন্তু দুৰ্ভাগ্যবশতঃ সেইদিনা তাত তামিল চিনেমা এখনৰ চুটিং চলিছিল বাবে আমি ভিতৰলৈ যাব নোৱাৰিলো।

মহীশূৰত এটা চাবলগীয়া বস্তু চোৱা নহ'ল বাবে মোৰ মনটো বাৰুকৈয়ে বেয়া লাগিছিল। সেইটো হ'ল— ইয়াৰ প্ৰকাণ্ড "আৰ্ট গেলাৰী"। বহুতে ইয়াক চালেগৈ। কিন্তু আমি দুজনমানে চাবলৈ নগৈ এনেয়ে বাটতে অলপ টহল দিলো। পিছতহে আমাৰ মূৰ্খামিৰ কথা বুজি পালোঁ।

সেইদিনা মহীশূৰত আমাৰ শেষ কাম আছিল— বৃন্দাবন গাৰ্ডেন চাবলৈ যোৱা। আমাৰ বাছখন বৃন্দাবন গাৰ্ডেনৰ প্ৰবেশ পথ পাওঁতে কি নৌ-পাওঁতেই এটা মানুহ ঘপ্‌কৈ আহি বাছত উঠিলহি। তাক দেখি বহুতে কেমেৰা লুকুৱালে। কিন্তু সি প্ৰকৃততে কি কাৰণে তাত উঠিছিলহি তাক হলে মই ভালদৰে বুজি নেপালো।

বৃন্দাবন গাৰ্ডেনৰ অপৰূপ শোভাই মন মুহি নিলে। মাজতে কাবেৰী নৈখন লৈ চৌপাশে বাগিছাত ফুল আৰু ফোৱাৰাৰ সমাবেশ। চৌহদতে এখন বিৰাট অথচ শুৱনি আৰু চৌখীন হোটেল। বৃন্দাবন গাৰ্ডেনৰ সকলোতকৈ ভাল লগা দৃশ্য হ'ল— ইয়াৰ লাইট জ্বলাৰ সময়ত ফুটি উঠা ৰূপ। আটাইবোৰ নিয়ন লাইট একেলগে জ্বলি উঠিলে বৃন্দাবন গাৰ্ডেনে যেন নতুন যৌৱনৰ পৰশ পায়। কৃত্ৰিম পানীৰ ধাৰ আৰু উজ্জ্বল ফোৱাৰাবোৰ সেই পোহৰত উদ্ভাসিত হৈ উঠে। কলিকতাৰ 'প্লেনেটৰিয়াম' থকাৰ দৰেই বৃন্দাবন গাৰ্ডেনৰ চাৰিও দিশে ওপৰত গোটেই মহীশূৰ খনৰ আহি ·Model) আছে।

ভাৰতৰ ভিতৰতে অন্যতম বৃন্দাবন গাৰ্ডেন খনৰ শোভাই সেইদিনা মনত এক বিমল আনন্দ দিলে।

মহীশূৰৰ পৰা উভতি সেইদিনা বাঙ্গালোৰৰ হোটেল পাওতে ঘড়ীয়ে ৰাতি এঘাৰ বজাৰ সঙ্কেত দিছিল।

তাৰ পিছদিনা আমি বাঙ্গালোৰ এৰিবলৈ স্থিৰ কৰিলোঁ। সেই উদ্দেশ্যেৰে আবেলি সময়ত আমি হোটেলৰ তিনি মহলাৰ পৰা তললৈ নামি আহিলোঁ। গাৰ-ভাগৰ গা'তে গ'ল। তেনেতে ত'তে এজন অসমীয়া টুৰিষ্ট এজেণ্টক লগ পালো। তেওঁৰ আঁচল ঘৰ ডিগবৈত। থাকে বোম্বাইৰ ব্ৰান্দ্ৰাত। বহুদিনৰ মূৰত এজন অসমীয়া মানুহ লগ পাই ভাল লাগিছিল। তাতোকৈও ভাল লগিছিল— আমাৰ প্ৰতি দেখুওৱা তেওঁৰ মধুৰ ব্যৱহাৰৰ পাতি।

সেইদিনা নিশাৰ ৰেলত আমি ত্ৰিচিনপল্লী অভিমুখে ৰাওনা হ'লো। ত্ৰিচিনপল্লীত থকাৰ কথা নাছিল, কিন্তু ৰামেশ্বৰমলৈ যোৱাৰ বাবে ৰেল পোৱাৰ সুবিধাৰ বাবেই আমি ইয়ালৈ আহিলোঁ। ত্ৰিচিনপল্লী পাওঁতে ৰাতি পুৱাইছিল। কিন্তু পুৱাই যোৱা ট্ৰেনখন আমি ধৰিব নোৱাৰিলো। সেই বাবে গোটেই দিনটো তাতেই থপিব লগা হ'ল। দিনটো এনেয়ে যাবলৈ নিদি বাটে বাটে ফুৰিলো। চহৰ খনৰ আলি পদূলিবোৰ চাফ চিকুণ। কিন্তু জন সমাগম কম যেন লাগিল।

সেইদিনা নিশা আমি ৰামেশ্বৰম অভিমুখী ট্ৰেনত উঠিলোঁহি। ৰিজাৰ্ভেশ্যন নথকা বাবে আমি সকলো ভাগ ভাগ হৈ য'তে ত'তে উঠিব লগীয়া হৈছিল।

পামবামত :

পিছদিনা ৰাতিপুৱা আমি পামবাম ষ্টেচন পাই নামি পৰিলোঁ। ইয়াতেই থাকি আমি সাগৰীয় মাছ সংগ্ৰহ কৰিব লাগিব। পাম্বাম-মৰ চাৰিও দিশে সাগৰে আবৰা। সাগৰৰ ওপৰৰ এখন দলঙৰ ওপৰেদি ৰেলত আমি পাম্বামলৈ আহিছিলোঁ। ইয়াতহে আমি প্ৰকৃত সাগৰ দৰ্শন কৰিলোঁ। বগা বালিৰে ভৰা সাগৰৰ পাৰ। পাৰে পাৰে নাৰিকল গছৰ শাৰী। পাৰাপাৰহীন সাগৰৰ নীলা জলৰাশিৰ সৌম্য মূৰ্ত্তিয়ে আমাৰ মনবোৰো গহীন কৰি তুলিছিল।

পাম্বামত আমি তালপাতেৰে সজা এম, বি, এচ (M.B.S বা 'মেৰাইন বায়লজিকেল চচাইটি') হ'মত থকাৰ ঠিক হ'ল। য'তেই ভৰি দিও ত'তেই বালি। কিন্তু বালিবোৰ গাত লাগি নেথাকে। বালিৰ ওপৰতে বিছনা পৰাৰ বাবে ঢাৰি পৰা আছিল।

নিজান আৰু গাওঁ গাওঁ লগা এই পৰিবেশে মনবোৰো ভাব গধুৰ কৰি তুলিলে।

এম, বি, এচ হ'মত খোৱাৰ বাবে সকলো সুবিধা আছে। গা ধোৱা আৰু খোৱা পানী কুঁৱাৰ। কিন্তু পানীবোৰত এটি লুনীয়া ভাব আছে। মাত্ৰ তিনি ফাৰ্লং দূৰৈত থকা সাগৰীয় প্ৰভাৱেই বোধহয় ইয়াৰ কাৰণ। ইয়াৰ মানুহে ভাতক ছাদম, সাধাৰণ দিধৰ আঞ্জাক ৰছম আৰু টেঙা আঞ্জাক চম্বৰ বোলে। নিমখ আৰু পানীক এওঁলোকে ক্ৰমে 'অপু' আৰু 'টানি' বোলে। ইয়াৰ মাছ খাই হলে বেছ ভাল লাগিল।

সেইদিনা আবেলি সাগৰলৈ গৈ বহুতো শামুক বুটলিলোঁ; ৰং-বিৰঙৰ বহুতো শামুক। পিছদিনাও বুটলিছিলো অবুজ আনন্দত মন নাচি

. এৰিয়ান .